
# ডিম্বেশ্বৰ নেওগৰ

# এমুঠি গীত আৰু কবিতা



# সঁফুৰা

(গীতাৱলী)

"It is no wonder that Neog passed in his younger days as *unofficial Poet-Laureate among his fellows.*"
– B.M. Barua's *The Poet-singer of Assam.*

ডিম্বেশ্বৰ নেওগ

প্ৰকাশক

ডিম্বেশ্বৰ নেওগ-অজলীতৰা নেওগ

সৌৱৰণি সৌৰভ সমিতি

মূল্য ঃ ৫০.০০ টকা

# উছৰ্গা

বসন্তৰ পুৱতীৰ মনোৰম সপোনৰ দৰে সোণৰ শৈশৱ আৰু পোনৰ যৌৱনৰ

মানস-নিকুঞ্জত ভূমুকি মাৰি যোৱা

**চিৰসুন্দৰ অতিথিসকলৰ পৱিত্ৰ স্মৃতিত**

এই গীতৰ তৰী দিলোঁ এৰি,
তৰুণ বৰাগী!
বায়ু-লহৰ ফালি যায় মোৰ
তৰী সুৱাগী
যৌৱনৰ এই ফুলাম তৰী,
মহানন্ত লক্ষ্য কৰি
আকাশ মাজত মহাবেগ'
দিলোঁ তিয়াগি।

টিঙত আজি বহে প্ৰাণৰ
মোহন কাণ্ডাৰী?
বায়ুত তোলে হেন্দোলনি,
উতল লহৰী!!
ঢৌ খেলি মোৰ তৰণী যায়,
আপুনি নাও দিব চপাই
জীৱন-ঘাটে আহি তুলি
নিব অভাগী'।

মাৰ্চ, ১৯২০

ঘাইকৈ স্কুল-কলেজৰ বিভিন্ন উপলক্ষে ৰচা এই গীতবোৰত প্ৰাণ সঞ্চাৰ কৰিছিল গন্ধৰ্ব লোকৰ কেশৱচন্দ্ৰ ভট্টাচাৰ্য্য, ফণীধৰ ঠাকুৰ, গুণীন্দ্ৰনাথ বৰুৱা, ইন্দ্ৰকান্ত সন্দিকৈ আৰু বৰ্তমান শ্ৰীযুক্তসকল প্ৰফুল্লচন্দ্ৰ বৰুৱা (এম.পি.), শাৰঙ্গধৰ ৰাজখোৱা (বি.এল্.), প্ৰতুলচন্দ্ৰ চক্ৰবৰ্ত্তী (বি.এ.), পাৰ্বতিপ্ৰসাদ বৰুৱা (বি.এ.), যোগকান্ত বৰুৱা (বি.এ.) প্ৰভৃতিয়ে। পোনতে ছপাব খোজোঁতে "সঁফুৰা"ত চকু ফুৰাই দিছিল স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালা আৰু বাণীকান্ত কাকতী (পি.এইচ্. ডি.) আৰু শ্ৰীপদ্মধৰ চলিহা (এম্.এ, বি.এল.) দেৱে। শৈশৱৰ অন্যতম সুহৃদ্ সুগায়ক শ্ৰীনবীনচন্দ্ৰ শৰ্মাই "হৃদয় দিয়াঁ বুৰাই নতুন প্ৰেমৰ বানেৰে" গীতটি ১৯২০তে এখন প্ৰথম অসমীয়া ৰেকৰ্ডৰ যোগে প্ৰচাৰ কৰিছিল। হিয়াভৰা কৃতজ্ঞতাৰে সদৌকে পুনৰ সুমৰণ কৰিছোঁ।

গুৱাহাটী, বহাগ বিহু ঃ
১৮৮৬ শক

শ্ৰীডিম্বেশ্বৰ নেওগ

## এক

প্ৰাণত আজি উঠিল বাঁজি
কোন ব্যাকুলৰ আকুল বাঁহী?
জীৱন জুৰি ভুবন ভৰি
বাজিছে সেই আকুল বাঁহী।
মন আকুল তৰণী
আকুল আকাশ, আকুল বতাহ,
আকুল ধৰণী
কি যে হৃদয় জুৰি সুৰৰ মাজে'
অগ্নি-কুসুম উঠিছে ভাহি
আজি মধুৰ হেমন্ত ; -

প্ৰাণত কিহে জগাই তোলে
স্মৃতি অনন্ত?
কিবা হুখে ধৰে চেপি
হৃদয়ৰ মোৰ পিচল হাঁহি
মোৰ কণ্ঠ আজি হীন
তোমাৰ সুৰত নুঠে বাজি
মোৰ ই পুলক-বীণ।
এই হৃদয়-বীণা বজোৱাঁ, নাথ
তোমাৰ সুৰে' আপুনি আহি।

১৯২৩

## দুই

বাজিছে নীৰলে আশাৰ মোহন
মুৰলী পৰাণে;
ফুলিছে এপাহি হিয়াৰ কুসুম
ই মহা মিলনে।
আবেগ-অমুৰি সঘনে
সহিব নোৱাৰে পৰাণে-
কিহৰ তুলিৰে হিয়াত ছবিটি
উঠিছে যতনে
হিয়াৰ তলিতো মিলন-মাধুৰী
আপুনি বিস্তাৰে;
তেওঁৰ সন্তান, দীক্ষিত তেওঁৰে
প্ৰেমৰ মন্ত্ৰেৰে।

ঢালিছে হিয়াত ৰঙেৰে,
সঙ্গীত সুশান্ত সুৰেৰে ;
জিৰাওঁ শান্তিৰ বাহুৰ ছাঁয়াত
আমিও সুখেৰে।
উদাস-ছন্দেৰে প্ৰাণৰ ভটিমা
গাইছে সন্তানে ;
বৰষাঁ কৰুণা আনন্দ-চিতেৰে-
দুখানি চৰণে।।
জীৱন-কৰ্তব্য কাৰণে
কৰাঁহি সজাগ স্মৰণে-
স্মৃতিৰ পাদুকা কৰাঁহি থাপনা
হৃদয়-আসনে।

১৯১৮

## তিনি

তোমাৰ মঙ্গৰ-আশিস্-আশাৰে
মিলিছোঁ সৱে উলাহেৰে ;
মিলন-অৰ্ঘ্য পুষ্প-অঞ্জলি
দিছোঁ সঘনে কৰযোৰে।
যাচিছে তোমাৰ অবোধ সন্তানে
অতি হেঁপাহেৰে ভকতি-দান,
নকৰাঁ বঞ্চিত চৰণ-ছাঁয়াৰ, -
এয়েহে আমাৰ উদাৰ-গান।
অন্ধ দুচকু,-জ্ঞান-জেউতি
দিয়াঁ করুণা-আশিসেৰে ;
দিয়াচোঁ তোমাৰ ভক্তি-অমিয়া,
পিওঁচো সৱে উলাহেৰে।
সত্য-সুন্দৰ, সৃষ্টি-গাৰিমা
নুবুজোঁ একোকে আমি তোমাৰ;
পৰশি প্ৰাণত জ্ঞানৰ কিৰণ
দেখুৱাঁ জীৱন-লক্ষ্য আমাৰ।
নিদিয়াঁ, নালাগে যশস্যা-গৌৰৱ,
নালাগে অনিত্য বিভূতি-মান ;
তোমাৰ চৰণ-ৰেণু-প্ৰসাদত
নাচক আমাৰ মন-পৰাণ।
অন্ধ দুচকু, জ্ঞান-জেউতি
দিয়া করুণ-আশিসেৰে ;
দিয়াচোঁ তোমাৰ ভক্তি-অমিয়া,
পিওঁচো সৱে উলাহেৰে।
মিলন-অৰ্ঘ্য, পুষ্প-অঞ্জলি
দিছোঁ সঘনে কৰযোৰে।

১৯১৭

## চাৰি

আজি-পৱন ভৰি গগন চৰি
কাৰ গীতৰ তৰী
আহে ৰিণি ৰিণি ৰিণি?
বনে বনে মনে মনে সুৰ-লহৰী
আহে ৰিণি ৰিণি ৰিণি
মেঘৰ আঁৰত পাতি কোলা
ৰাখিছে কাৰ দুৱাৰ মেলা?
প্ৰাণত কোনে ঘনে ঘনে চলায় ভৰি,
আহে ৰিণি ৰিণি ৰিণি
কোন সৰগৰ পৰা নামি অশিস্-ছাঁয়া
আহে ৰিণি ৰিণি ৰিণি?
কোন দেৱতাৰ চৰণ চুমি সুৰৰ মায়া
আহে ৰিণি ৰিণি ৰিণি?
ই মহা উছৱ-দিনা
উঠে বাজি জীৱন-বীণা
তাৰ সুৰতো উটি আহে কাৰ
মোহন তৰী?
আহে ৰিণি ৰিণি ৰিণি

মাৰ্চ্ ১৯২০

## পাঁচ

গাওঁ আহাঁ, সমস্বৰে
নৱ মিলন-গীতি ;
হিয়াত আমাৰ ব'ক সুবিমল
প্রেম-প্রীতিৰ সুঁতি।
একৰ হকে শতেক হিয়া,
দিয়াঁ আজি বিলাই দিয়াঁ ;
শতৰ মাজত মহান একৰ
আত্মা উঠক ফুটি।।
ঘৰে ঘৰে জ্ঞান-জ্যোতি
প্রাণৰ মাজত উঠক ফুটি
লোৱাঁ সুবিমল প্রেম-পৰিমল
হিয়াৰ আঁচল পাতি।।

১৯১৯

## ছয়

আজি-নতুন ছন্দে' মিলন-গানে'
সঙ্গীত-সুধা বিতৰাঁ
বাজে আপুনি আনন্দ-সঙ্গীত,
নাচে পৰাণ তাৰে তালে ;
পুণ্য হৰষে, মৰ্ম্ম পৰশে, -
সোণালী ছবিটি আদৰাঁ।।
সত্য কৰাঁ স্বপ্ন-কাহিনী
গৰ্ব-বাহিনী ৰত্ন ;
মধুৰ বাহিনী
প্রেম-ৰাগিনী,-
প্রাণৰ অশেষ যত্ন।
লভিবাঁ হাততে অমিয়া,
শান্তি যাউতি-যুগীয়া ;
লোৱাঁ মুখে মুখে
প্রেমৰ বাঁহীটি,
দিয়াঁচোঁ সুখৰ বতৰা।

১৯১৭

## সাত

পৰাণ কিয় বীণ-ব'ৰাগী,
সপ্ত-সুৰে ভাহে হে?
প্রাণত স্নিগ্ধ আলোক-ৰাশি
অত হাঁহি হাঁহে হে
জগত-ছবি চকু ৰোৱা,
সমীৰণে জুৰায় হিয়া;
সুধা-সনা বীণাৰ তানে
নিখিল ভুবন মোহে হে।
ধন্য মহা বিশ্ব-শোভা,
আহা কিনো মন-লোভা
আজি স্বৰ্গী মন্দাকিনী
আহে নামি আহে হে।।

১৯১৮

## আঠ

এই মিলন-পুৰা লোৱাঁ আমাৰ
প্ৰীতি-সম্ভাষণ
নকৰিবাঁ ব্যৰ্থ বিপুল
পূজা-আয়োজন।
উষাৰ নৱ পৱন লাগি
ফুল-কলিটি উঠিল জাগি ;
তাকে তোমাক দিলোঁ সঁপি,
শুদ্ধ পৰাণ-মন।

পুবাৰ ৰবি বিমান উঠি
ভুবন উজলায় ;
ফুলৰ সৌৰভ পৱন ভৰি
পৰাণ আমোলায়।
তোমাৰ আলো, তোমাৰ গন্ধ,
তোমাৰ পুৰা মিলন-ছন্দ,
তৰুণ হিয়াত সজায় আমাৰ
ভক্তি-সিংহাসন।।

১৯২০

## নৱ

বাজে এই ভক্তি-ভেৰি
কাকলি
জননী বীণাপাণি' চৰণ-কমল
আঁকো'লি।
ওপৰত গগন-ৰভা,
তলে তাৰ জগত-সভা ;
জ্বলে কাৰ পুণ্য-প্ৰভা
বসুন্ধৰা উজলি'?

জীৱনৰ অমৃত-ক্ষণত
আহি দেৱী দেখা দিলাঁ ;
শব্দ-ৰূপ-ৰস-ঘ্ৰাণে'
পমি যায় হৃদয়-শিলা
বসন্তৰ আগে আগে,
বাজে বীণ ছয়ো ৰাগে' ;
সুৰে সুৰে উঠে প্ৰাণৰ
প্ৰেম-বেণু উথলি।।

১৯২০

## দহ

একে মোহন-বেণু বাজে আজি
বিজন জীৱনে।
তোলে তাৰে প্ৰতিধ্বনি
শূন্য পৰাণে।।

সঙ্গীত আহে ৰিণি ৰিণি,
শান্ত সুৰে জীৱন-জিনি ;
গীতৰ ৰেণু বিয়পে যেন
গগন-পৱনে।

প্ৰাণৰ প্ৰাণত বাজে ঘনাই
মোহন বাজনা ;
হৃদয়তো উজলিছে মিলন-বাসনা।
ভক্তি-ভৰে নয়ন-জলে'
পূজোঁ দেৱৰ চৰণ-তলে—
ধন্য কৰোঁ বাঞ্ছা আমাৰ ই শুভ লগনে।

১৯১৯

## এঘাৰ

কোনে আকাশ-ছবি বোলায় এনে
তুলি-লেখনীৰে ?
ডাৱৰ-মালা গাঁথে কোনে
সোণৰ শিকলিৰে ?
আজি সন্ধ্যা অৰুণ শীতল ছাঁৱে
কোনে বাৰু বৰণ কৰে—
কোনে সান্ধ্য ৰবিৰ আঁকে ছবি
ৰক্তিম কল্পনাৰে ?
আজি অগ্নি-ৰেখা জ্বলে চোৰাঁ
তাৰে নয়ন-কোণে ;
বাৰু কোন কবিয়ে তাৰ ওপৰে
প্ৰেম-ৰহন সানে ?
সউ সন্ধ্যাচলৰ আঁৰে আঁৰে
কোনে আনে ৰথ বাৰে বাৰে,
এই লোহিত ৰবি মোহিত কৰি
নিয়ে আন্ধাৰ দ্বাৰে ?

১৯১৯

## বাৰ

আজি ফুল্ল তাৰকা-কুঞ্জ,
আজি স্ৰোত জ্যোৎস্না ধাৰা ;
পূত শাৰদ পূৰ্ণিমা নিশি
এই বিশ্ব পুলক-ভৰা।
স্নেহ-চুম্বন মগ্না,
মুগ্ধা মেদিনী আজি,
উঠে স্বৰ্গ-দুন্দুভি বাজি ;
উঠে গছ-লতিকায় পুষ্প-ৰেণুকায়
অনন্ত ছবি ৰাজি।
সৌ পৰ্ব্বত-প্ৰান্তে হাঁহি-ৰেখা পৰি
উজলি উঠিছে ধৰা।।
সুকোমল বাঁহী-ধ্বনি
মহান বাৰতা দিলে
বান্ধি কোনে ?
কাৰ মহা আগমনী ?
মোহ-টোপনিতে শুনো দিঠকতে
তাকেহে ৰিণিকি ৰিণি।
মগ্ন জীৱন, নিদ্ৰা ভঙ্গ
কৰিলে বা কোনে আহি ?
কাৰ ই পূৰ্ণিমা-হাঁহি ?
উতলা কিৰণে কিয় হঁহুৱালে
প্ৰাণ-উৎপল পাহি ?

লাৱণী হাঁহিয়ে প্ৰাণ হঁহুৱালে -
নাহিব ঘুমটি আৰু ;
নয়ন-অঞ্জন গুচোৱাঁহে, চাওঁ
অপৰূপ ৰূপ চাৰু।
হৃদয়ৰ মোৰ নিভৃত কুঞ্জ
মোহ-অন্ধকাৰে ভৰা।

## তেৰ

প্ৰাণত তোমাৰ চৰণ-ধ্বনি
নীৰৱে সুৰৱে!
আহাঁ মোহন নিখিল ভুবন জিনি।
শুভ্ৰ জ্যোৎস্না-মগ্না ধৰা,
হাঁহে লক্ষ গ্ৰহ-তৰা ;
শুভ লগনে, নৱ কিৰণে,
আহাঁ প্ৰাণৰ নয়ন-মণি
আজি বিশ্ব তোমাৰ ভৰা, —
ভাহিছে, ভাহিছে,
তোমাৰ মিলন-হাঁহিত অখিল ধৰা।
হাঁহিব কিৰণ-ছাঁয়া খেলি
আহাঁ প্ৰাণৰ দুৱাৰ মেলি ;
সখা আহাঁহে, আহাঁহে,
মোহন চৰণ-নূপুৰ বজাই ৰিণি।

১৯২০

## চৌধ

পূণ্য আলোক আজি
উঠে বসুধা বাজি
নাচে কিৰণ মালা,
মুগ্ধ মানৱ প্ৰাণ
সুৱাগী জোনাকী জাকে
উৰি কিনো পাকে পাকে
বিচাৰে উলাহে সৰে
তোমাৰ অমিয় জ্ঞান।
বিভোল বসুধা আজি
ৰূপালী পোহৰে সাজি —
উঠিছে আপুনি বাজি
সুৰলা জীৱন-তান ;
নিখিল ধৰণী জুৰি
উৰিছে প্ৰেম-মাধুৰী,
প্ৰকৃতি-হৃদয় ভৰি
বাজিছে একেটি গান।
পথাৰ-সমাৰ বিলে
কিহৰ ছবিটি তোলে?
অনন্ত আকাশ তলে'
কিহৰ অমিয়া-পান?
উদাস ভাৱেৰে কেনে
বিচাৰে জুৰণি প্ৰাণে —
ঢলাঁচোঁ মঙ্গল তানে
শান্তি-সুধা ভগবান

## পোষ্কৰ

আজি - তোমাৰ স্বৰ্ণ-পৰশে'
কুঞ্জে - কুটীৰে মহা হৰষে,
কেনে - উৰিছে সত্য-পতাকা
মহা - মূৰ্ত্ত ৰুদ্ৰ 'মানৱে'
কত - লুপ্ত 'মনুষ্য-গৰৱে'
ধৰে - মঙ্গল মুক্তি-গীতিকা

তৱ - পূত চৰণ-ৰেণু উদ্ভাসিত
মনু বিজন জীৱন ;
হাঁহে - নবীন প্ৰেম-কিৰণ-সুখে'
কুঞ্জ-বিপিন-ভৱন।
কিবা-অতীত স্মৃতি সুমৰি
উঠে - প্ৰতি হিয়া আজি গুমৰি
নাচে - ধৰণী-তৃণ-লতিকা

১৯২১

## ষোল

তোমাৰ পূত সৌৰভ স্মৃতি-কণা,
উথলিছে সউ যে সুদূৰ জিনা
তাৰেই গোন্ধে ভৰপূৰ আজি বায়ু,
তাৰেই বাণী প্ৰচাৰিছে কুলি কুউ ;
তাৰে প্ৰতিধ্বনি গগন-পৱন চুমি
বজায় নীৰৱে হিয়া-উদগোৰা বীণা।

ধন্য তৱ স্বদেশ-উন্নতি-ধ্যান,
স্বদেশ-কল্পে উছৰ্গি দিলাঁ প্ৰাণ ;
তুমি জ্ঞান-যোগী আদৰ্শৰ শিৰোমণি,
সত্য কৰিম তোমাৰ অমৃত-বাণী।
লভিম মুকুতি জন্মভূমি পদে'
প্ৰেম-ৰেণু পৰিমল সনা।

১৯২১

## সোতৰ

যিদিনা শিৰত ভুবন-বিজয়ী-মালা
পৰিল তোমাৰ অৰুণ-কিৰণ ঢলা ;
জননীৰ ভাষা নোলাল মুখত,
কিহেৰে সাদৰি লবহি বুকত
আকাশত যেন টিমিকি-টিমিকি,
নাচিলে চপলা-বালা।।
বীৰ জননীৰ পৰাণ জুৰাই

আছিলাঁ হৃদয়-আকাশ শুৱাই,
আন্ধাৰ নভত শোভিত যিদৰে
পুৱতী তৰাৰ খেলা।।
সপোনৰ যেন সোণালী ৰেখাটি
দিঠকত পৰি হেৰালে জেউতি ;
তোমাৰ মধুৰ কল্পনা আৰাধি
পাতিছোঁ আনন্দ-মেলা।

১৯২১

## ওঠৰ

অৰ্পিছে সন্তানে মঙ্গল-আৰতি,
বজোৱাঁ গৰিমা-গীতি প্ৰবীণ।
গুচোৱাঁ আজি তোমাৰ, জননী,
জনম-দুখুনী বেশ মলিন।।
কিয় কান্দা আই বেজাৰ কিহৰ?
তোমাৰ বয়ান কৰিম পোহৰ-
তোমাৰ সন্তান মিলি সকলোটি,
বজাম তোমাৰ মহিমা-বীণ।
আনন্দ-ছন্দে' জননী বন্দে
মিলিছোঁ সকলো দুখীয়া-দীন।
গুচাম তোমাৰ কেলেশ, জননী
দেখুৱাঁ অতীত কীৰিতি-চিন।।
জগত বিয়াপি তোমাৰ ৰাগিনী'
দিগ-দিগন্তক কঁপালে হায়
পোন-প্ৰথমতে তোমাৰ সন্তানে
বিজয়-পতাকা দিলে উৰাই।।

বিজ্ঞান-সুৰুযে তোমাৰ আকাশ
উপজি-পুৱাতে কৰিলে প্ৰকাশ-
তেও কিয় আজি মলিন বদন,
কিয়নো তোমাৰ এনে বিলাই?
আনন্দ-ছন্দে' জননী বন্দে .....
"জয়তু জননী।" বিজয় নিনাদ
উঠিছে আজিও শূন্যকোলাত।
কঁপিছে তোমাৰ বিজয়-নিশান
আজিও নীৰলে বসুন্ধৰাত।।
জাতীয় যজ্ঞ পাতিছে সন্তানে,
বিষাদ-বিননি এৰাঁ ৰঙ্গ মনে ;
পিন্ধাচোঁ পুনৰ গৌৰৱ-মুকুট,
দেখুৱাঁ অতীত শকতি গাত।
আনন্দ-ছন্দে' জননী বন্দে .....

১৯১৭

## ঊনৈশ

তুমিয়ে যে পোন সোণৰ সপোন,
যৌৱনৰ মোৰ কবিতা-গান,
ই শুভ লগনে' ম্লান বসনে'
দেখি আজি মোৰ ভাগিছে প্ৰাণ।
মোহিনী তোমাৰ কিবা প্ৰতিজ্ঞাৰ
তীব্ৰ সাধনে মুকলি কেশ,
কোন ভীম বীৰ' এই সুন্দৰীৰ
গুচাব জনম-দুখুনী বেশ?
মোহিনী এবাৰ দেখুৱাঁ তোমাৰ
দুঃখ-দমন প্ৰতিভা-দাহ ;

শতেক দৈন্য-বিঘিনি সৈন্য-
য'ক নিমিষতে সকলো জাহ।
তুমিয়ে সত্য ত্যাগ-মহাত্মা
প্ৰচাৰি মৃত্যু-বিজয়ী গান,
নতুন সুৰেৰে বীণটী বজাই
কৰাঁ মতলীয়া প্ৰেমিক-প্ৰাণ।
আজি বজা নাই জগত জগাই
সেই এটি সুৰ, সিদেখি হায়
কান্দে মলয়াই ইনাই-বিনাই,
'ভাৰত, সিদিন আজি নাই নাই।'

মোহিনী এবাৰ দেখুৱাঁ তোমাৰ ....
আজি তপোবন নিমান নিজম,
নুঠে আজি তাত সামৰ স্তৱ ;
যমুনা পুলিন নীৰৱ গহীন,
নুথলে যে তাত বাঁহীৰ ৰয়
কৰোঁ আজি সেৱ, জাগাঁ ভীষ্মদেৱ,
গাণ্ডীৱধাৰী অৰ্জ্জুন বীৰ
কৰম-ক্ষেত্ৰ—মেলাঁহে নেত্ৰ—
পাঞ্চজন্য বাজিছে ধীৰ
মোহিনী এবাৰ দেখুৱাঁ তোমাৰ ........

## বিশ্

কিয়-এনে মহা নিশা ঘুমটি ভাগিলে,
কিহৰ অমোঘ চিন্তা ?
ইকি-সউ মু'খনিত কিহৰ কালিমা ?
গৰলে দহিছে শত মধুৰিমা
সউ-ভূমা কিনো মোহিত কৰিছে,
অসীমৰ জয়-ঘন্টা
ত্যাগৰ সিন্ধু মথি উঠা আজি
তুমি হে কৰ্ম্মবীৰ
দেৱ-নিৰ্ম্মালি বজ্ৰ-কৰতালি,
লোৱাঁহে নম্ৰশিৰ
তুমি-এফালে দেখিছাঁ পাৰ্থিৱ সুখৰ
ছাইৰে বন্ধোৱা আলি ;
সউ আনফালে চোৱাঁ, অনন্ত-কলীয়া
মথাউৰি বিশ্ব-প্ৰেমেৰে বন্ধোৱা
তোমাৰ শিৰতে মহা-মানৱৰ
পৰিছে মুক্তি-নিৰ্ম্মালি
ত্যাগৰ সিন্ধু মথি উঠাঁ আজি .......
তুমি-পেলালাঁ খহাই হীন ৰাজ-বেশ,
দীক্ষিত প্ৰেমৰ মন্ত্ৰে' ;
সেই-পুত্ৰ-মুখখনি দুনাই নাচালাঁ,
সুপ্ত-সুন্দৰীৰ মাধুৰী নিপিলাঁ -
মউ-মাখি তুমি কৰ্ম্মী জীৱনৰ,
বিশ্ব-প্ৰেম প্ৰতি ৰন্ধ্ৰে।
ত্যাগৰ সিন্ধু মথি উঠাঁ আজি .....
হায়-চলিব কতনা এইদৰে আহা,
হীন আত্মা-প্ৰৱঞ্চনা
এই-আতমাৰ পখী উৰি গুচি যোৱাঁ,
নিজ সাধনাৰ থান বাচি লোৱাঁ ;
সন্মুখত গৰ্জ্জে কৰ্ম্ম-সিন্ধু-
অনন্ত কালৰ বাজনা
ত্যাগৰ সিন্ধু মথি উঠাঁ আজি ......

১৯২১

## একৈশ্

আহা আজি যে গহীন গভীৰ বৰষা
কোনে খেলিছে ডাৱৰে ডাৱৰে
খেলা পাগলীৰ মেলা চুলিৰে ;
আজি ৰসাল শীতলা প্ৰকৃতি
কোনে সাজিছে স্নিগ্ধ ছবিটি।
কিহে সাগৰ লহৰ টৌৱালে ?
হিয়া আনন্দেৰে বুৰালে—
কিবা অতল ৰাগিনী মৰ্ম্ম-পৰশা

আজি কাৰ হেঁপাহৰ কণিকা
জ্বলে প্ৰাণত তপ্ত মণিকা
আজি কিবা অনুনয় বিনয়ে
আহি হৃদয়-দেৱতা হৃদয়ে
ল'লাঁ বাঞ্ছিত ভকতি-থাপনা
ই যে কত জনমৰ সাধনা
আজি অৰ্পিছোঁ হিয়াৰ সৱ ভৰষা
আহা কাৰ বা অতীত বিৰহ-বতৰা
উঠে কঁপি কঁপি যেন পৱনে
কিবা ছঁয়ামেয়া আজি গগনে
কত অতীতৰ স্মৃতি বুটলি
উঠে ভবিষ্যৰ গীত উতলি

আজি বৰ্ষাৰ অনন্ত বাজনা
কাৰ হৃদয়ৰ লুপ্ত বেদনা-
ধন্য মানিছোঁ জীৱন-যাতৰা,
আহা কাৰ বা অতীত বিৰহ-বতৰা
পাতি হিয়াৰ আঁচল যতনে
মাতোঁ বহাঁহি ভুবন-ৰতনে
আজি বিস্ফোৰিত তৱ মহিমা
পূৰে নীলিমা বিয়াপি গৰিমা ;
আহা সাৰ্থক জনম, জননী
শুনো গভীৰ ৰাগিনী-বাহিনী-
লোৱাঁ সঁপিছোঁ হিয়াৰ ভকতি-ভৰষা;
আহা আজি যে গহীন গভীৰ বৰষা।

১৯২২

## বাইশ্

আজি হিয়া-ভৰা হেঁপাহে,
আজি চকু-ভৰা চেনেহে,
আজি পৰাণ-পৰাগ-ৰাগ সানি,
দিছোঁ ভক্তি-পদ্ম-পাহি আনি;
লোৱাঁ হৃদয়-প্ৰীতি নিঘিণি।
পূৰ্ণ অৰ্ঘ্য লোৱাঁ হে।
আজি নাচে শিৰে শিৰে ৰঙ্গে

কিবা প্ৰেম-প্ৰবাহ প্ৰতি অঙ্গে,
কাৰ মধুময় নিশাহে
পূৰ্ণ বায়ু মহানন্দে?
আজি-পুলকে মিলিত ভ্ৰাতৃ-বৃন্দ,
গাঁথে-মলয়ে মিলন-ছন্দ ;
শুনা-বাজিছে হৃদয়-শঙ্খ,
আজি উদাৰ গীতি ধৰাঁ হে।

১৯২৩

## তেইশ্

তৰুণ পদ-তলে ৰাখাঁ হে সখা হে
বিৰহ-ডাৱৰ ঠেলি দিয়াঁচোঁ দেখা হে।
তপন-উদয়ে তিমিৰ যেনে লয়,
দৰ্শনে তযু মোৰো আঁতৰে চিন্তা-ভয়-
গুচোৱাঁ মোহ-মায়া, গুচোৱাঁ মৰু-ছাঁয়া

দেখুৱাঁ নিজ কায়া, কৰুণা-হিয়া হে।
সৃষ্টিৰমোহন-বেণু বাজিছে পঞ্চম সুৰে,
উদাস প্ৰণয়-গানে কল্পনা-পখিলা উৰে;
বন-বিহঙ্গ-দলে নাচে আকাশ-তলে,
মন-ভ্ৰমৰ গুঞ্জে বিশ্বৰ স্তৱে হে।

১৯১৬

## চৌবিশ্

প্ৰাণতে তোমাৰ ছবি আঁকিছিলোঁ
মমে মনে,
জীৱন-মৰুতে শান্তি লভিছিলোঁ
ঘনে ঘনে।
করুণা-নিদান বুলি
উদাস অন্তৰ মেলি,
তোমাৰেহে পূজা মই কৰিছিলোঁ
ৰাতি-দিনে।।

জীৱন-নিকুঞ্জ ভৰি
সুখৰ মাধুৰী উৰি
ফুৰিছিল,-সুখ-ৰেণু হৃদয়ৰ প্ৰতি
কোণে।।
কলুষ অন্তৰ দেখি
আজি তুমি গ'লা এৰি
আলাই-অথানি কৰি, অগাধ
সংসাৰ-বনে।।

১৯২৩

## পঁচিশ্

বহু দুখ-লাভ-ভাগৰে
তৰ অপৰাধী আহি
তোমাৰ চৰণে মাগে সেই
প্ৰাণ-ভৰা এটি হাঁহি।
নিচিনি তোমাক হিয়াতে
ভ্ৰমিলোঁ জগত মিছাতে ;
বেদনাৰ সুৰে বাজিছে
এতিয়া তোমাৰে বাঁহী।।

উঠিলোঁ হিয়াতে নজনা
হৃদয়-কস্তুৰী ফুলি ;
মনত পৰিল কোন সুন্দৰী
আউলী-জাউলী চুলি
অসাৰ সিসৰ বাসনা,
প্ৰাণত দি গ'ল যাতনা ;
তাকে বেৰি ভাহি উঠিছে
হৃদয়-পদ্ম পাহি।

১৯২৩

## ছাবিশ্

কল্পনা-তুলিৰে আঁকিলোঁ এদিন,
ফুলিব মালতী পাহি ;
আমোল-মোলাব কুসুম-কানন,
ঢালিব মধুৰ হাঁহি।
দিঠকে তাতেই বহন সানিলে,
উদিল সৌভাগ্য-বেলি ;

সকলো হিয়াৰ গৌৰৱ তুমি,
আশাৰ কুসুম-কলি।।
সকলো হিয়াৰ মিলন-তন্ত্ৰীত
শুনা কি ৰাগিনী বাজে ;
চোৰাঁহি হিয়াৰ নিভৃত কোণত
মোহন মূৰতি ৰাজে।

চোৱাঁহি প্ৰাণত আশাৰ লতাটি
পৰিছে ৰঙতে ঢলি,
সকলো হিয়াৰ গৌৰৱ তুমি,
আশাৰ কুসুম-কলি।।
আহিলে শৰত লাগিব এদিন
জীৱন-তৰুতে গুটি,
গোটেই ভাৰতে ছিঙিব তোমাৰ
তাৰে গুটি এটি এটি।
এতিয়া তোমাৰ ডালে ডালে উৰি
ফুৰিছে গুঞ্জৰি অলি ;
সকলো হিয়াৰ গৌৰৱ তুমি,
আশাৰ কুসুম-কলি।।
১৯১৫

## সাতাইশ্

মানস-বনৰ কুসুম তুলি
দিছোঁ উপহাৰ ;
লোৱাঁ আমাৰ মঙ্গল-ভৰা
হৃদয়-সম্ভাৰ।
আশাৰ বাটে নিতউ জুমি
চাব তোমাৰ জন্মভূমি ;
ৰাখাঁ তাকেই মনত তুমি,
ই বাঞ্ছা আমাৰ।
লোৱাঁ আমাৰ মঙ্গল-ভৰা
বিদায়-সম্ভাৰ।।
১৯২১

## আঠাইশ্

কৰুণ শোকৰ উঠে ধ্বনি নিৰাশ প্ৰাণে
বিৰহ ভাবত ভাগে অন্তৰ ঘনে ঘনে।
বিদাৰিছে হিয়া আজি,
গুৰুৰ বিৰহ-শোকত মজি,
বিনায় প্ৰাণে হিয়াৰ বেজাৰ শোক-গানে।
অসহনি শোকে আজি হিয়া দহিছে ;
স্নেহৰ পাশে আমাৰ হিয়া বন্ধা আছে।
ভালে ৰাখে তয়ু দেহায
এয়ে মাথোঁ শুভ আশা ;
দিছোঁ বিদায় কৰুণ-হৰ্ষৰ ঐক্য তানে।।
১৯১৭

## উনত্ৰিশ্

নীৰৱ সুখ-শান্তি আজি কোনে জানো
ভাঙি দিলে ;
মিলনে বিষাদ-গীতি কোনে জানো
বৰষিলে
আহিলাঁ আমোদি ৰঙ্গে,
মিলি সকলোৰে সঙ্গে ;
গুৰু-ছাত্ৰ সমভাৱে, কোনে জানো
আঁতৰালে।

মাগিছোঁ মেলানি আজি,
কি সতে নো যাবোঁ ত্যজি-
বিন্ধিব লাগিছে হিয়া সকৰুণ
শোক-শেলে

আহিলোঁ আমাৰো হীৰা
তাকো যাতে নাপাহৰোঁ,-
উপহাৰো এয়ে মাথোঁ,-ৰ'বাঁ সদা
ভালে-কালে।

১৯১৭

## ত্ৰিশ্

আজি তোমাৰ বিনে গগন প্ৰকাশ
চন্দ্ৰ-বিহীন পূৰ্ণিমা-আকাশ।
নুমাওঁ নুমাওঁ আশাৰ তৰা,
আন্ধাৰময়ী দেখোঁ ধৰা ;
জাতীয় পথ উজ্জ্বল কৰোঁ
চন্দ্ৰ' অৱকাশ
চন্দ্ৰ-বিহীন পূৰ্ণিমা-আকাশ।।

বাহিৰ ওলাই দেখোঁ কি যে হল,
বৰ্ষা-মেঘত চন্দ্ৰ লুকাই গল
অচিন পথৰ সাৰথি হায়,
কোনে পন্থা নিব দেখাই ?-
তোমা-বিনেও ৰব সহায়
তথু স্মৃতি-আভাস।
চন্দ্ৰ-বিহীন পূৰ্ণিমা আকাশ।।

১৯২১

## একত্ৰিশ্

আহাঁ হে সকলো জননী-হিয়াৰ
আশা-ভৰসাৰ সত্য স্থল ;
সাদৰি মাতিছে জন্মভূমিয়ে
সকলো সমাজ-সেৱক দল
সমাজ-সেৱাই জানিবা ধ্যান,
জন্মভূমিয়েই সকলো জ্ঞান ;
স্বদেশ ভক্তি,স্বদেশ মুক্তি,
স্বদেশ আত্ম-বল।।

প্ৰেম-নীৰে ধুই জননী-চৰণ,
কাৰোঁ আহাঁ সত্য মৰণ-বৰণ ;
প্ৰাণ বলি দিও লভিব পাৰিম
মুক্তি-অমৃত-ফল।
দিয়াঁ উৰুৱাই ভেদাভেদ জ্ঞান
সুখীয়া-দুখীয়া, হিন্দু-ইছলাম ;
জননী-সন্তান সৱে একে প্ৰাণ,
গুচোৱাঁ মনৰ মল।।

১৯২০

## বত্ৰিশ্

বাজিছে দুনাই ততীত জগাই
পুৰণি বীণাৰে পাহৰা তান ;

পাহৰণি সুৰ ততীত মধুৰ,
শুনি তালে তালে নাচিছে পৰাণ।

আনন্দশ্ৰু ঢলি পৰিছে উথলি
লভি মিলনৰ মউ-সমিধান ;
পাহৰা সুৰেৰে সুৰদী তানেৰে
গাওঁ আহাঁ আজি মিলন-গান।

নাচক প্ৰকৃতি শুনি মধু-গীতি,
প্ৰবীণ ভাবেৰে উজ্বলে বয়ান ;
নতুন আশাৰে, নতুন আলোৰে
অতীত-ৰজনী কৰাঁ অবসান।।

১৯১৫

## তেত্ৰিশ্

বাজে কি সুৰদী সুৰে জীৱন-ৰাগিনী,
নাচে কেনে কিৰণ-মালিনী
শান্তিৰ পতাকা আজি উৰুৱাঁ উলাহে,
সেৱোঁ দেৱী-চৰণ-দুখানি।
বাজিছে নিফুটে আজি মুৰলী আশাৰ,
নাচাঁ সৱে উলাহেৰে নাচাঁ হে।
শুনাচোঁ পৱিত্ৰ সুৰ নৱ জীৱনৰ
পূজোঁ দেৱী কবিতা-ৰূপিনী।

তোলাঁচো আকউ দেৱী, লহৰী সুৰৰ,
আদৰিছোঁ আজি সৱে মিলি ;
নবীন সঙ্গীত শুনি পমিব পৰাণ,
পাহৰিম খিয়লা-খিয়লি।
মাতিছোঁ কাতৰে তযু মুৰুখ সন্তানে
আহাঁ আই, আপোন গুণেৰে ;
লোৱাঁচো হিয়াৰ অৰ্ঘ্য, বৰষাঁ অমিয়া,
বীণাপাণি বাসন্তী গোসাঁনী।

৪/২/১৮

## চৌত্ৰিশ্

লোৱাঁ কুসুম অঞ্জলি আৰতি হিয়াৰ ;
নাজানো পূজিব পদ-কমল তোমাৰ।
নবীন জীৱন-গীতি,
মধুৰ মিলন-প্ৰীতি,
বৰষাঁ গীতেৰে তযু অমিয়া আধাৰ।।
মায়াত মুগুধ প্ৰাণ,
বিতৰাঁ তোমাৰ জ্ঞান,
থাপিছোঁ হিয়াতে দেৱী
গোসানী আমাৰ।।

তোমাৰ বীণাৰ ৰৱে,
মিলিছোঁ উলাহে সৱে,
গুচোৱাঁ ঢাকনি আই
আপোন মায়াৰ।।
ধৱল কায়াৰে আজি,
আহিছাঁ প্ৰতিমা সাজি,
স্বৰগে মৰতে উঠে বীণাৰ জোঁকাৰ।।

৫/২/১৮

## পয়ত্ৰিশ্

মল ধৱল কায়াৰে দেৱী,
আহিছাঁ কি শুভ লগনে।

কি পুণ্য প্ৰীতি বৰষে,
সমীৰে নৱ জীৱনে।

মহা মিলনৰ অমৃত-লহৰী
হৃদয় বিয়পি বাজিছে ;
তোমাৰ মধুৰ ছত্রিশ ৰাগিনী
বিয়পে গগনে-পৱনে,
হৃদয়ে হৃদয়ে পূত মিলনে,
পাতিছোঁ ভকতি-থাপনা ;
ধন্য কৰাঁহি বাসনা জননী,
পূজিছোঁ কমল চৰণে।
চৰণ-ৰেণুৰে পুষ্পিত ধৰা,
গীত-গন্ধময়ী বায়ু ;
হিয়াতলি ভেদি মঙ্গল আৰতি,
বাজিছে পৰাণে পৰাণে।

১৯২০

## ছয়ত্রিশ্

হৃদয় ভৰি বজোৱাঁহে আজি
মঙ্গল মৃদঙ্গ বাজনা ;
পৰাণে পৰাণে উজলোৱাঁ আজি
সুমঙ্গল গীতি-ৰচনা।
মন্দিৰে মন্দিৰে পূত-দেৱালয়ে
ধূপ-গন্ধ দিয়াঁ উৰুৱাই,
পৰোঁ লুটি-পুটি বীণাপাণি-পদে'
প্রেমৰ শঙ্খ-মঞ্জিৰ বাই।
পৰি সকলোৰে বাক্‌দেবী পদে,
অৰপোঁ যতনে প্রীতি হিয়াৰ,
অবোধ সন্তান নুবুলি দেবীয়ে
লব লব লব পূজা-সম্ভাৰ।
আকুল কণ্ঠেদি বাগৰি বাগৰি
আহিছে আকুল ৰাগিনীটি,
ভক্তি-চকুলো এধাৰিৰ সৈতে
হেঁপাহেৰে তাকে দিছোঁ গাঁথি।
পূজাৰ সঁজুলি যাচিছোঁ ইয়াকে
তৰুণ হিয়াৰ আবেগেৰে,
চোৱাঁ এটিবাৰ করুণা-নয়না,
করুণা-গালিত নয়নেৰে।
পৰি সকলোৰে জননীৰ পদে
অৰপোঁ দেবীক প্রীতি হিয়াৰ,
অবোধ সন্তান নুবুলি মাতৃয়ে
ল'ব ল'ব ল'ব পূজা সম্ভাৰ।।

১৯২০

## সাতত্রিশ্

(আজি) মালতী পাহিটি ৰঙতে
চোৱাঁ,পৰিছে ঢ়লি ;
(শত) হিয়াৰ আবেগে নাচিছে আহা,
পদুম-কলি
ধৰিছে মলয়ে উলাহ-চাপৰি,
কুঁহিপাতে নাচে আপোন পাহৰি ;
প্রকৃতি-কুঞ্জ' মধু-গীতি গায়,
কালিন্দ্রী অলি।
ঢালে প্রকৃতিয়ে মধুৰ হাঁহিটি,
নাচে উলাহতে কেতকী পাহিটি ;
অখিল ধৰণী ৰঙতে শিয়ঁৰি
নাচিছে হিয়া তুলি।

জিলিকে গছৰ সোণালী জেউতি,
নাচে হালি-জালি গোলাপ-কলিটি ;
গাওঁ আহাঁ তেনে আমিও আটায়ে
নিজকে ভুলি।
১৯১৯

## আঠত্ৰিশ্

কুৰি শতিকাৰ আজি নৱ উদ্যমেৰে
বাজি
হাঁহিছে নতুন পুৰাৰ সুৰুয
চোৱাঁ চকু মেলি চোৱাঁ।
নিদ্ৰাৰ সময় নাই, তন্দ্ৰাৰ সময় নাই,
কলাঘুমটিৰ কাল উকলিল,
সপোন নেওচি যোৱাঁ।
এক শতাব্দী গ'ল অতিবাহিত-
এতিয়াও হেৰা লাগাঁ দিহাদিহি ;
ভবিষ্য অতীত, সকলো সচিত
তোমাৰ কামেৰে কৰাঁহি।
নিদ্ৰাৰ সময় নাই, তন্দ্ৰাৰ সনয় নাই
কাণ-সৰালিত দিন কটাবৰ
কাল উকলিছে চোৱাঁ।
কাণে কাণে কয় পূত পৱনে-
উঠাঁহে অলস মাতে জগজ্জনে ;
লোৱাঁহে আদৰ, শত সমাদৰ
নতুন কিৰণে যাচিছে।
নিদ্ৰাৰ সময় নাই, তন্দ্ৰাৰ সময় নাই,
সাধনা-কমল, কৰি টলমল
উপচি পৰিছে হিয়া।।
১৪/৪/২৩

## উনচল্লিশ্

জননী, কত চেনেহৰ প্ৰাণ-সুৱাগী
মাতৃভাষা
উদাৰ হৃদয়খনি, পৰশ-মণি-
সৱাতে তোৰ মউ-বৰষা
কত হিয়া সাগৰ মথি,
কত ছন্দে মালা গাঁথি,
পিন্ধা কেনে মনমোহা,
--প্ৰাণ-পৰশা
নোহোঁ ঋণী তোমাৰ সেৱাৰ--
এয়ে অভাগাৰ--
চৰণে তোমাৰ চিৰ ভৰষা।।
১৯২০

## চল্লিশ্

মৰীচিমালা-শোভিতং
পৱিত্ৰমদ্য প্ৰভাতং
বিহঙ্গছন্দোবৰ্দ্ধিতং
শৃণু ৰে সুখ-সংগীতম্

ভ্ৰমৰবৃন্দ-চুম্বিতং
শোভন-গন্ধ কমলং
মধুৰমিদং কূজনম্
শৃণু ৰে সুখ-সংগীতম্।।
কুসুমগন্ধবহনং
পশ্যেমং মৃদুপৱনং
কোকিল-কুল-কূজিতং
শৃণু ৰে সুখ-সংগীতম্
শোভতে তৃণশ্যামলং
মধুৰ-মৃদু-কোমলং

পৱিত্ৰ-মনোহাৰিণং
শৃণু ৰে সুখ-সংগীতম্
নবীন-সৰ্ব-সুন্দৰং
বিমন পুষ্প-কাননং
প্ৰকৃতি-বীণা-বন্দিতং
শৃণু ৰে সুখ-সংগীতম্
হীৰক-ৰবি-ভূষণং
নিৰ্ম্মল-নীল-গগনং
অনিল-শঙ্খ নন্দিতং
শৃণু ৰে সুখ-সংগীতম্
ফেব্ৰুৱাৰী, ১৯১৯

## ওপৰঞ্চি

### একচল্লিশ্

কিবা নৱ ৰাগে'
ই জীৱন-যৌৱন মোহ জাগে
কত নৱ কিশলয়ে,

স্নেহ-চুম্বনে'
উথলি অধৰ মধু,
যৌৱন-মোহ জাগে
১৯২১

### বিয়াল্লিশ্

বাৰু, কতনো সহিম
আশাৰ ছলনা
মোৰ কোমল অন্তৰ, নিৰাশ শোকৰ
জাগে বেদনা।

কত স্মৃতি গান আহে বিণি,
অতীত অশ্ৰু-কাহিনী-
কত স্মৃতি আহি মোৰ প্ৰাণত জগায়
যৌৱন-যাতনা
১৯২১

### তিয়াল্লিশ্

অধৰে অধৰে ঢাকি অধৰ-মাধুৰী,
পুণ্য পীযুষ পিয়া সাদৰ-সাদৰী।

পৱনে পৱনে আজি কোনে উঠে
চিঞৰি
তৃণ-তৰু বনলতা কঁপি উঠে শিয়ঁৰি ;

মলয়ে হালি-জালি, ধৰে ধৰা
আঁকোৱালি-
আহাঁ হে, নাচাঁ হে, বাজাঁ বেণু বাজাঁ
হে,
লাচে লাচে উঠে নাচি স্নেহ-লহৰী
১৯২০

## চৌচল্লিশ্‌

মিচিকি লাজেৰে কোনে হাঁহে?
লাজৰ ওৰণি কোনেনো টানি
গোপন বেশেৰে আহে
সঘনে কঁপিছে হৃদয়ৰ তাঁৰ,
ভাবৰ জুৰিটি ভৰি উঠে পাৰ;
টলবল কৰি আবেগ জনায়
সোণৰ কমল-পাহে।
হাঁহিছে তৰাৰ থূল-
লাজৰ ডাৱৰে জোনাই আবৰি
কৰি তোলে বিয়াকুল।
ভাবৰ জুৰিটি নেভেটিবাঁ আৰু,
জীৱনে-মৰণে ব'ব;
শূইনে-বিমানে মিলন-লগনে
সুখৰ ছবিটি ভাহে।
১৯২২

## পঞ্চচল্লিশ্‌

প্ৰাণ-ৰতনে' পৰম যতনে
গাঁথিছো এই প্ৰেম-গঁথা;
প্ৰেম-সুষমা, প্ৰেম-মধুৰিমা,
সানিছোঁ মনোবেথা।
চউদিশে চোৰাঁ হাঁহিছে নিশা
উজলি উঠে মিলন-আশা-
গোৱাঁ প্ৰেম গান, এৰাঁ অভিমান,
(লোৱাঁ) চেনেহ-গঁথা,
বিৰহ-বেথা;
এৰাঁ ব্যথা, কোৱাঁ মনোকথা।।
১৯২০

## ছয়চল্লিশ্‌

কিবা সুখ-সুযমাৰে বলিছে উজান
যত জোনাকী জিকিমিকি টানিয়ে
নিয়ে প্ৰাণ।
উগুল-থুগুল মৰত হাঁহিৰে,
টৌৱায় হিয়া হাঁহিৰ লহৰে;
ধৰাত হাঁহি, বায়ুত বাঁহী,
মিলিছে কিহৰে
বিলাই হিয়া প্ৰেম-অমিয়া
কৰাঁ ৰঙ্গে' পান।।
১৯২০

## ছয়চল্লিশ্‌

গোৱাঁ এটি গান, প্ৰাণ-পুতলা।
কত আবেগেৰে আজি হিয়া উতলা
বাজিছে অমৰ ভেৰী জীৱন-মৃদঙ্গ,
মন্ত্ৰ-মুগ্ধ আজি চোৰাঁ প্ৰণয়-কুৰঙ্গ;

মিলন-পীয়ুষে ভৰে প্ৰেম-পিয়লা।।
গধূলি-গোপালে আৰু নাটানা ওৰণি
মধুৰ গীতেৰে মাৰোঁ বিৰহ-পোৰণি ;
প্ৰাণে প্ৰাণে গাঁথি লওঁ গীতি সুৰলা।

এপ্ৰিল, ১৯১৯

## আঠচল্লিশ

বৃন্দাবনে বাজে মুৰুলী-
শুনি সি মুৰুলী, নাচিছে বিজুলী,
লাগিছে উদুলি-মুদুলি।
সন্ধিয়া বায়ুৰে কিনো হেঁপাহৰ
বাতৰি বিলালাঁ মধু মিলনৰ-
মাতিছে মদনে, যশোদা-নন্দনে,
পীতাম্বৰ বনমালী।
ক'বাঁগে সাদৰে মৃদু মলয়াই-
আহিছে গোপিকা সংজ্ঞা
হেৰুৱাই ;
গলে বনমালা দিব গোপবালা,
যাচিব প্ৰাণৰ আঁজলি।
সখিয়া, মাতে গোবিন্দাই,-
বজোৱাঁ মঙ্গল উৰুলি।।

এপ্ৰিল, ১৯১৯

## উনপঞ্চাশ

সখিয়া নামাৰাঁ নয়ন-বাণ ;
মদনৰ পঞ্চশৰে দহিছে পৰাণ।
সুৰুযৰ কিৰণত, সোণোৱালী মিলনত
বিৰহীয়ে পালে প্ৰাণ ;
বিৰহ-আদৰে, মাতিছোঁ সাদৰে,
দিয়াঁহি জীৱ-দান।।
কুঞ্জ বনত, তৰাৰ মাজত
প্ৰেমৰ মহাগান,
তাতে তোমাৰ ফুলাম আসন,
লোৱাঁহি শীৰ্ষস্থান।

এপ্ৰিল, ১৯১৯

## পঞ্চাশ

আজি হৃদয় দিয়াঁ বুৰাই নতুন
প্ৰেমৰ বাণেৰে ;
মোৰ গোটেই জীৱন উঠক জিনি
নিফুট গানেৰে।
কঁপে ঘনাই পৰাণ তনু-
কৰাঁ মুগুধ প্ৰতি তনু-
বজাই তোমাৰ হৃদয়-বেণু
মধুৰ তানেৰে
ৰবি শশী আজি ই মিলন
থাকক নিৰখি ;
আনন্দ-গান বাজক অতল
হৃদয়-পৰশি
পূৰক আজি প্ৰাণৰ ক্ষুধা,
অনন্ত কাল লাগক তধা-
পান কৰোঁ মিলন-সুধা
যুগল প্ৰাণেৰে।

১৯২৩

# ইন্দ্রধনু

"Finis ! the Song of Youth has couplet few,
These rosy blossoms all have lost their hue ;
That bird of joy which they have named as Youth,
We know not when it came and where it flew,"

*- The Nectar of Grace (New Omar Rubayats)*

## অৰ্পণ

### "প্ৰতিমা"ৰ খনিকৰ আৰু "বীণ-বৰাগী"

### সুকবি শ্ৰীচন্দ্ৰকুমাৰ আগৰৱালাৰ

#### কৰ-কমলত

"হাঁহি আৰু চকুলোৰ করুণ মিলন,
এয়ে হায় মানৱ জীৱন
খন্তেকীয়া কিৰণত প্ৰাণৰ পখিলা নাচে,
খন্তেকৰ মধু পৰশন
তাৰ পাছে অশ্ৰু বৰিষণ ;
দুদিনীয়া মানৱ জীৱন
যৌৱন উথলি উঠে সেই পোহৰতে,
সুখৰ চৰায়ে গায় গান ;
কোনোবা দেশৰ পৰা উলাহত আহে উটি
নজনা-নুশুনা এটি তান ;
আবেগত আকুল পৰাণ
সুখৰ চৰায়ে গায় গান

হৃদি-সৰগত হয় মাধুৰী বিকাশ,
ইন্দ্ৰধনু সাত বৰণীয়া ;
আশিস্ শিৰত লই প্ৰেমৰ সঁজুলি আনি
সাজে ঘৰ কৰি যুগমীয়া,
ভাবে প্ৰেম যাউতি-যুগীয়া
ইন্দ্ৰধনু সাত-বৰণীয়া
বিচ্ছেদৰ বান-পানী ওফন্দি উঠিলে
চেনেহৰ ছবিটি লুকায় ;
বিৰহ-সৌতত পৰি প্ৰেমৰ মন্দিৰ ভাগে
জীৱন-সাধনা উটি যায়।
খন্তেকীয়া পোহৰ পলায়
বিষাদৰ ডাৱৰত প্ৰেমৰ কিৰণ সানি
জীৱনৰ ইন্দ্ৰধনু গঢ়ে বিধাতাই

"যদু"

"ইন্দ্ৰধনুৰ সকলো বৰণেই মন মোহা। চাই বৰ ভাল লাগিছে। বাৰে বাৰে চাবই লাগিছোঁ" - শ্ৰীৰজনীকান্ত বৰদলৈ।

"নানা বিধৰ ভাব চমু দুই-চাৰি আষাৰ কথাৰে বিবিধ ছন্দত ব্যক্ত কৰি নেওগদেৱে শিল্পী কবিৰ পৰিচয় দিছে। সাহিত্যত "ইন্দ্ৰধনু"ৰ ঠাঁই নিশ্চয় ওখ। ......পঢ়ি আমনি নলগা হৈছে।" -শ্ৰীদেৱানন্দ ভৰালি, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা।

"গ্ৰন্থকাৰ কবিয়ে আন আন যিবোৰ কবিতাৰ গ্ৰন্থ লিখিছে সেইবোৰৰ মাজত এই "ইন্দ্ৰধনু" নিশ্চয় জিলিকি থাকিব।" শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা, সম্পাদক, "বাঁহী"।

## প্ৰথম —— আশিস্

### প্ৰেম-চাকি

'প্ৰেম,' প্ৰেম', বুলি হিয়াখনি ঢালি
কই গ'ল কাণে কাণে ;
নুবুজিলোঁ মই প্ৰেমৰ মহিমা,
প্ৰেমে কি মোহনী জানে।
পাছে হৃদয়ৰ স্তৰে স্তৰে সেই
মউ-সনা সোঁৱৰণি'
হিয়াৰো হিয়াত, প্ৰাণৰো প্ৰাণত,
তুলিলেহি খলকনি ;
নুবুজি বুজিলোঁ, সংসাৰ দেখিলোঁ
প্ৰেম-ছঁয়াময়া মাখোঁ ;
সেইহে এতিয়া সকলো পাহৰি
প্ৰেম-চাকিটিকে গাঁথো।

১৯১৫

### দিঠকনে

কিনো এটি লক্ষ্য লই এখুজি-দুখুজি কই
গইছিলোঁ কেনিবা ওলাই ;
অকলশৰীয়া প্ৰাণে' গইছিলো নিৰজনে,
কল্পনাহে সাৰথি-সহায়।
নিজান পথাৰ পাই হিয়া-তলি উদঙাই
গালোঁ এটি প্ৰণয়ৰ সুৰ ;
এছাটি মলয়া-বাই প্ৰাণ-মন শীতলাই
হৃদয়ত দিলে ঢালি জুৰ।
পথাৰৰ এচুকত ঠিয় হই নিজানত
কোন সিটি ৰই অকলই,
দেবী গোসানীৰ দৰে হিয়া-ভৰা কৰুণাৰে
চাই আছে মোৰ ফাললই ?
হিয়াৰ আবেগ ফুটি কৰিছে মু'খনি অতি
জ্বলি থকা তৰাৰ দীপিতি ;
সৰস প্ৰাণৰ হাঁহি বিৰিঙে মুখত আহি,
বৰষিছে প্ৰাণত তৃপিতি।
লাগিছিল এনে হেন
গোলাপৰ পাহি যেন
ফুলি আছে পথাৰৰ চুকে' ;
নীলিম গগনখনি, সূৰুষৰ জিলিঙনি,
পাহৰিছে যেন সকলোকে
মন্ত্ৰাধীন সৰ্প হোৱা,
ভেলেঙীৰ দৰে চোৱা,
দেখে সেই মায়া-পুতলাটি
এৰিলোঁ গানৰ তান,
ভাবৰ অমিয়া পান,
মোৰো সেই হ'ল একে গতি।
ইমূৰে সিমূৰে হায়, ইটিয়ে সিটিক চাই
থৰ হলোঁ দুইটি পৰাণী
হেপাহ চকুৰে চায়,
তথাপি যে মাত নাই,
এৰৈইনে বন-বিহাৰিণী ?

কতনো ইঙ্গিত দিলোঁ,
তেওঁ অ'ই নুশুনিলোঁ
প্ৰতিবাণী সেই পুতলাৰ ;
অচল অটল হই একেটি খোজতে ৰই
আছে মাথোঁ পুতলি মায়াৰ।
স্বাৰ্থৰ সুতাৰে গঁথা আপোন লক্ষ্যৰ কথা
আহি পাছে পৰিল মনত ;
দিলোঁ খোজ আগলই পুতলাটি এৰি থই
সেই নিৰজন পথাৰত।
আজিও দূৰত ৰই পৰাণ বাতুলকই
নাচে সেই মোহিনী পুতলা ;
স্বপ্ন নে দিঠক বুলি
একেটি ভাবতে ভুলি
আজি মোৰ পৰাণ উতলা।

ফেব্ৰুৱাৰী, ১৯১৫

## আজলী পদুম অ'ই

আজলী পদুম অই
নুশুচা হেপাহে কিয়
মোৰ ফালে চাই ৰব
একেটি ভাবনা লই ?
আজলী পদুম অ'ই
পুখুৰীত ঠিয় হই
মুখেৰে হাঁহিটি যাচি সৰল ভাবতে নাচি
লগায় মৰম তই
আজলী পদুম অ'ই
কথাতে চেনেহ লই
মৰ যেন মৰমতে, পমি যাব চেনেহতে
টালি-ভুলি কথা কই
আজলী পদুম অই
নিফুট সুৰতে অ'ই
গীত গাই ভাল পায়,
মুখতেই পমি যায়
সৰগৰ সুধা হই
আজলী পদুম অ'ই

পথৰ পথিক মই
যাব যে নোৱাৰোঁ আৰু,
কিয়নো মোহিলি বাৰু
এইদৰে কথা ক'ই ?
আজলী পদুম অ'ই
আপোন কামৰ লই
মেট-মৰা বোজা এটি, প্ৰাণ কৰে ছাটিফুটি,
কেনেকে' থাকিম ৰই
আজলী পদুম অ'ই
বেলি ভাটি দিবগই ঃ
ইয়াতে দিনটো যাব, বৰত বিফল হ'ব ;
চোৰাঁচোন বেলিলই
আজলী পদুম অ'ই
আকউ আন্ধাৰ হই
লুকাব যেতিয়া ধৰা,
চাব কোনে ক'ৰ পৰা
মোৰ লটিঘটিলই ?
আজলী পদুম অই

সেইদেখি কওঁ মই,
নাচাবি পদুম আৰু, নাবান্ধিবি স্নেহলাৰু
নোমোহিবি প্ৰাণ তই।
আজলী পদুম অই
পুখুৰী শুৱনী কই
থাক, অ'পদুম, তেনে; নকৰ মুগুধ এনে
হালি-জালি কথা কই
আজলী পদুম অই
এৰি দে, এৰি দে অই
প্ৰাণৰ পদুম মোৰ, তই এনে মন-চোৰ
কাবউ কৰিছোঁ মই।
অজলী পদুম অই

জুন, ১৯১৫

## ঢোপাকলি

অন্তৰৰ আধাফুলা আশা ঢোপাকলি
লাহে ধীৰে ফুলিব খজিছে;
মিচিকাই কলিটিয়ে গোলাপৰ দৰে
প্ৰণয়ৰ আভাস বুজিছে।
আদৰ-পৱনে যেন মাধৱী-লতাক
নচুৱাই বৰ ৰঙ পায়;
উলাহতে অন্তৰৰ ঢোপা-কলিটিয়ে
হিয়া-তলি দিয়ে উবুৰাই।
জীৱনৰ যত আশা, ফুলৰ বহন;
ফুলি উঠে আবেগ বাঢ়িলে;
জঁই পৰে সাদৰৰ আদৰ-মালতী
নিৰাশাৰ পৰশ লাগিলে।
মাণিকি-মধুৰি ঠন দেখিলেই তাৰ
হিয়াখনি কেনে শাঁত হয়;
আতুৰ প্ৰাণতো লভোঁ একেৰি জুৰনি,
আনন্দৰ ধীৰ সোত বয়।
নপৰিব জঁই সেই আশা-ঢোপাকলি
দুপৰীয়া বিৰহ-তাপত?
বুকু জুৰ কৰা সেই কোমল হাঁহিটি
নুলুকাব লাহৰী মুখত?
মলয়াত উটি অহা কৰবাৰ সেই
প্ৰেম-গীত ৰিণিকি ৰিণিকি,
নাযাব নহয় মাৰ শূন্যৰ কোলাত
লাহে লাহে টিমিকি টিমিকি?

১৯১৬

## দেৱী-প্ৰতিমা

সাজিলোঁ যতনে দেবীৰ পতিমা,
পূজিলোঁ আদৰ কৰি;
পূজাৰ শেষত বিসৰ্জিবলই
নিলোঁ তাক নিজে ধৰি।
মাটিৰ প্ৰতিমা দিলোঁ উটুৱাই,
তাৰ নো কি আছে মোল?
অন্তিম বেলিকা চকুটি ফুৰালোঁ,
সেয়াহে আতোল-তোল।

দিখৌৰ বুকত প্ৰতিমা এৰিলোঁ, -
বুৰবুৰণিটি আহি
কিবা ক'লে তাৰ বুকৰ বেদনা
লাহে লাহে হাঁহি হাঁহি
হিয়াৰ আমঠু ক'লা পৰি গ'ল
বুজি মৰমৰ ধাৰ ;

খন্তেক পাছতে লাহে লাহে গ'ল
বুৰবুৰণিটি মাৰ।
হাততে হেৰাল দেবীৰ প্ৰতিমা,
ৰূপটি হিয়াতে ৰ'ল ;
হিয়াতে ওলাই, হিয়াতে সোমাই,
হিয়াতেই মাৰ গ'ল।

১৯১৫

## পখিলা

পুলকিত বসন্তৰ কিৰণ-মাৰ্গত
নাচি নাচি উৰি ফুৰে ৰূপহ পখিলা,
লাহে লাহে লীন যায় কালৰ গৰ্ভত
জীৱন-বুৰঞ্জী-পাত জপাই এখিলা।
নাচি হাঁহি ফুৰোঁতেই হঠাতে লুকায় ;
ভৱিষ্য সমল ফেৰা থিতাতে ঢুকায়

উৰি গ'ল আজি সৱ কল্পনা-পখিলা,
নাচি-হাঁহি সকলোটি দিহাদিহি গ'ল ;
জীৱন-বুৰঞ্জী-পাত জপালোঁ এখিলা,
সকলো বিয়নী-মেল থানবান হ'ল
বাঁহীৰ মাতটি শুনি টোপনি ভাগিল ;
নতুন নতুন ভাব হিয়াত জাগিল।

হিয়া-তলি উবুৰাই উদাস প্ৰাণেৰে
পখিলাৰ লগতেই উৰিব খোজোঁতে,
কোনোবাই মউ-সনা কোমল মাতেৰে
কাণে কাণে কই গ'ল, 'মৰোঁ মৰমতে'
কত কথা ক'ব এনে এফুট ভাষাৰে
কাণ পাতি ৰই থাকোঁ শুনিব আশাৰে।

এতিয়াও সোণোৱালী স্মৃতিৰ পথত
নচা-হঁহা সিহঁতক দেখিলে দুনাই,
কিবা এটি ছবি জ্বলে মানস-পটত,
জগত কল্পনাময় দেখোঁ পুনৰাই।
কোননো সিহঁত মোৰ, ভাবিয়ে নাচাওঁ ;
মোক ভাল পায় আৰু ময়ো ভাল পাওঁ।

১৯১৭

## সন্ধ্যা সময়ত

বান্ধনী বেলিৰ হেঙুলী জেউতী
দিখৌৰ বুকুত পৰে ;
দিখৌৱেও তাক ৰঙতে সাবটি
গাভৰুৰ বেশ ধৰে।

আটক-ধুনীয়া এই চিত্ৰখনি
দেখিব নোৱাৰি পাছে
সন্ধ্যা আউটীয়ে এই জগতক
মলিন কাচোনে' কাচে।

উলটি আহিছোঁ নিজ পজালই,
এনেতেই এটি সুৰ
ক'ৰ পৰা বাৰু উটি আহি মোৰ
কাণত ঢালিলে জুৰ?

কঠুৱা হিয়াও পমি যোৱাকই
কোনে বা বাইছে বাঁহী?
তাৰ কঁপনিতে আন্ধাৰ ধৰণী
পৰিল আপুনি ভাহি।

উটি যাব খোজোঁ তাৰ লগতেই-
কিনো অঘটন হল
অতৃপ্ত বাসনা প্ৰাণত জগাই
ৰাগিণী কেনিবা গল।

নুশুনিলোঁ আৰু, আধা শুনা হ'ল,-
ইনো কাৰ প্ৰেম-গান?
হৃদয়ত মাথোঁ ৰ'ল কঁপি কঁপি
এটি আধৰুৱা তান।

অচিন নিঠুৰ এইদৰে আহি
শতুৰু শালিলি কিয়
হৃদয়ৰ সুখ-স্বপ্ন এনেকই
মোহাৰি পেলাই দিয়

১৯১৬

# দ্বিতীয় —— আবেগ

## মৰম

মৰমৰ কাৰণেই নিখিল জগত,
নীলাকাশ মৰমেৰে ঢকা ;
জোন-বেলি অগণন তৰাৰ ৰূপেৰে
মৰমৰ ছবি আছে আঁকা।

মৰমৰ-মন্ত্ৰত ভোল বনৰ বিহগ,
সৰে বুজে মৰমৰ ধাৰ ;
মইনাৰ চৰাইটিয়ে মইনা মাতেৰে
কাঢ়ি নিয়ে আবেগ হিয়াৰ।

কঠুৱা শিলও পমে মৰম-মুখত,
মৰমৰ বনচৰো ভোল ;
মানুহে কিয়নো তেনে নুবুজে এফেৰি'
মানুহৰ মৰমৰ মোল?

১৯১৬

## বিচ্ছেদ

লাবণী ছবিটি নিতে চকুৰ আগতে
অপূৰ্ব সাজেৰে তুমি দেখিয়ে থাকিবাঁ ;
হিয়া যদি পমি যায় সেই ৰাগিণীতে
স্বপ্নৰ ৰাজ্যতো তাক অৱশ্যে শুনিবাঁ।

কেতিয়াবা অনন্তৰ কোমল শয্যাত
যায় যদি নিদ্ৰা কোনো প্ৰেমিক এজন;
প্ৰেমিকাকো আনি পুনু ঘূৰি ইদিনাত
মধুৰ মিলন দিয়ে ঈশ্বৰ সুজন।

বিৰহ-বিচ্ছেদ তেন্তে নাই প্ৰণয়ত
প্ৰাণে প্ৰাণে থাকে যদি প্ৰণয় বান্ধোন ;
অটুট চেনেহ যদি থাকে হৃদয়ত
শূন্যতো দেখিবাঁ তুমি মিলন মাথোন।

মিছাতে কিয়নো টোকাঁ চকুলো দুধাৰি
কন্দুৱাই কিয় তুমি কান্দা আবেগত?
য'তে চোৱাঁ ত'তে আছে মিলন-মাধুৰী,
বিৰহ-বিচ্ছেদ কিয় বোলা প্ৰণয়ত?

১৯১৬

## মইনা

হৃদয়ৰ পিঞ্জৰাত বনৰ মইনা
ধৰি আনি সুমালোঁ এদিন ;
আপোন হাতেৰে দিলোঁ গাখীৰ বাটিত,
আৰু কত মৰমৰ চিন

এফেৰি আহৰি পালে কৰ্তব্যৰ পৰা
চাওঁ মই মুৰ মোৰ দাঙি ;
খন্তেক পাহৰি বান্ধ বিহগ-প্ৰেমৰ
সিও মোকে চায় চকু ভাঙি।

সহানুভূতিৰ বীণ ললিত তানেৰে
হৃদয়ত উঠিছিল বাজি,
নিস্বাৰ্থ প্ৰেমৰ যত সৰল মাধুৰী
পৰস্পৰ হিয়াত বিৰাজি।

ছিঙি মৰমৰ বান্ধ হঠাতে এদিন
মইনাও কেনিবা উৰিল ;
সপোনৰ সুৰ হ'ল জীৱন-ৰাগিণী,
চিত মোৰ লগতে হৰিল।

১৯১৪

## শকুন্তলা

প্ৰকৃতিৰ ৰম্য কাননত
ধনু লই মৃগয়া কৰোঁতে ;
দেখা পালে প্ৰকৃতি-জীয়াৰী
যৌৱনৰ জপনা কাষতে।

বন-পহু বনৰ লতাৰে
শকুন্তলা দেৱীয়ে সজায় ;
নিজকেই বন-ৰাণী পাতি
প্ৰকৃতিত মিলন ৰজায়।

দুষ্মন্তৰ প্ৰণয়-শৰত
বিদ্ধ হই ৰ'ল বন-ৰাণী ;
সাধ্য নাই কিৰূপে এৰায়
আওকাণ কৰি প্ৰেম-বাণী।

পুৰুষৰ কঠিন হৃদয়,
পাহৰিলে সকলো বান্ধনি ;
'তুমি মোৰ' বুলি কবলৈকো
দুষ্মন্তৰ মনৰ নাটনি

নাই আজি সেই দিব্য বন,
নাই তাত সেই বন-ৰাণী ;
নাই কেও শুনে কাণ পাতি,
প্ৰেমিকৰ মউ-সনা বাণী।

বন-পহু লগে লই আৰু
কেৰেঁ আজি হিয়া উদঙাই
প্ৰিয়ম্বদা অনুসূয়া সতে
হাঁহি-মাতি কাল নিনিয়ায়।

১৯১৬

## চোৰ

হৃদয়ৰ দুৱাৰত আহি
মাজ-নিশা কোনে খুন্দিয়ায় ?
চকু দুটি আধা মেলোঁতেই
চাঁতকৰে পুনু গুচি যায়

অমা নিশা টোপনি কোলাত
মনে কত সাজি-পাৰি থাকে ;
কল্পনাৰ বিচিত্ৰ তুলিৰে
সুখৰ মোহন ছবি আঁকে।

কিয় বাৰু আহি আচম্বিতে
ভাঙিলাহি মোহন সপোন
মায়াময় ভাবত ওপঙি
মেলিছিলোঁ সুখৰ দাপোণ।

সকলোটি চুৰমাৰ কৰি
ওলালাহি এনে সময়ত ?
নাই হেৰা, একোৱেই নাই
মোৰ এই ভগা বাহৰত।

তেও মই দুৱাৰৰ দাণ্ড্
দিছোঁ হেৰা, এনে দৃঢ় কৰি,
মজিয়াত মানৱ-পিশাচে
নোৱাৰেহি দিব যেন ভৰি।
তথাপি যে তুমি আক' আহি
ঘনে ঘনে সহাৰি বুজোৱাঁ,
নিশাৰ ই তবধতা ভেদি
বাৰেপতি খলক লগোৱাঁ
কত আৰু সহিম আমনি
যিবা পোৱাঁ নিয়াঁ বাৰু হৰি ;
ধৰি হ'লে প্ৰেম-পিঞ্জৰাত
কাহানিবা থ'ম বন্দী কৰি

১৯১৬

## মানসী

লৰ মাৰি কাষলই নাহিবাঁ, এনেয়ে
ফুৰিবাঁহি আলেঙে আলেঙে ;
কিয় তুমি কৰা মোক ইমান মৰম,
কথা এনে কোৱাঁ হাঁহি-ৰঙে'?
কপটীয়া চিত মোৰ কি বুজিবাঁ তুমি,
তুমি হ'লা নিছেই সৰল ;
কুমলীয়া বয়সত বুজি পোৱা নাই
মৰমত থাকে যে গৰল।
সেইদেখি পতিয়ন নাযাবাঁ সোণাই,
মোৰ এই সকলো কথাত ;
সৰাওতে সনা আছে ভাষাৰ ৰহন,
তুমি তাত নাযাবাঁ সঁজাত।
মোৰ জ্ঞান-বুদ্ধি কিম্বা মান-সন্মানত
নকৰিবাঁ সমূলি নিৰ্ভৰ ;
সকলোটি ছলনাৰ ঢাকনি মাথোন,
নুবুজিবাঁ জ্ঞানৰ গহ্বৰ।
যেতিয়া বিবেক ধীৰ নিদ্ৰাত মগন,
ধৰমৰ নুশুনি উৰুমি ;
ভেশচন কৰি ফুৰে গিয়ানে তেতিয়া,
ফাকি তাৰ-'নাহং কৰোমি'।
এয়ে জানা সংসাৰৰ ৰীতি প্ৰৱঞ্চনা ;
তাৰ কিন্তু উমানেই নাই
সেই বাবে কওঁ পুনু, মোৰ কপটতা
কি মতেনো বুজিবাঁ, সোণাই।
তুমি মোৰ সুপৱিত্ৰ সোণৰ পুতলা,
নাই ক'তো মলিনতা-ৰেখা ;
পূজিম তোমাক মই হিয়াৰ মাজত,
কল্পনাত দিবাঁ আহি দেখা।
কোনেও নেদেখাকই তোমাৰ বাবত
হুমুনিয়া' এটি কৰ দিম ;
তাকে তুমি মোৰ বুলি ধৰিলে, লাহৰী
মই এই সংসাৰ তৰিম।
কেতিয়াবা প্ৰতিধ্বনি শুনিলে তোমাৰ,
দূৰ হ'ব বিষাদ-কালিমা ;
আন মাত একো নাই, বুলিম মাথোন
জীৱনৰ মানসী-প্ৰতিমা।

১৯১৮

## বসন্ত

কোৱাঁচোন মোৰ জীৱনৰ বীণ,
কোৱাঁচোঁ যতন কৰি,—
পিব পাৰে জানো মউপিয়াটিয়ে
মউ-ৰস প্ৰাণ ভৰি?
মধুৰ মাধবী নউ যাওঁতেই,
লাগোঁতে পিয়াহ তাৰ
পিব দিবাঁ জানো জীৱন-অমিয়া?
—ভাবিয়ে নাপাওঁ পাৰ।
লাহৰী বসন্ত আকউ আহিল,
ধৰাত ফুৰালে হাত ;
ঠেও ধৰি ধৰি আমনিত পৰি
কুলিয়ে লগালে মাত।
তৰু-লতা-ফুল সকলো ওলাল
উলাহেৰে কাচি-পাৰি ;
তুমিহে কেৱল আছাঁ অকলই
ভাবনাত মন মাৰি।
ভোমৰাই চুমে সেন্দুৰ-বলীয়া
দুখনি গোলাপী গাল ;
নলভিলে চুমা তোমাৰ ওঠৰ
মোৰো যে নালাগে ভাল।

কেউপিনে উঠে হাঁহিৰ উৰুমি,
গাইছে চৰায়ে গান ;
এনে সময়ত নহবাঁ লাজুকী,
নকৰিবাঁ অভিমান।
চোঁৱা, প্ৰকৃতিত কেউপিনে ক'তো
নেদেখাঁ শোকৰ লেশ ;
তেনে তুমি কয় অকলই বাৰু
ধৰিবাঁ মলিন বেশ?
উলাহতে চোৱাঁ ধৰণী মগন,
সুখী ই সদউ জীৱ ;
এনে সুক্ষণত প্ৰণয়ৰ বীণ
নিমাত নিতাল কিয়?
আদৰ-হিল্লোল বয় ধীৰে ধীৰে,
পাতিছেনে কেৱেঁ ৰোষ?
কাতি কৰি থোৱাঁ তুমিও সকলো,
মৰষিবা মোৰ দোষ।
স্বৰ্গৰ বিভূতি আনি ই মৰতে
পাতিছে প্ৰেমৰ হাট ;
নালাগিব ভাল আমি দুয়ো গই
নাপাতিলে বেহা তাত।

১৯১৮

# তৃতীয় — যৌৱন

## প্ৰেম-গৰিমা

সাগৰৰ হিয়া ভৰা মুকুতা মণিৰে,
আকাশত ফুলে থুপিতৰা ;
মোৰ এই বুকুখনি, এই বুকুখনি,
চেনেহীৰ ছবিটিৰে ভৰা।

বহল বহল বৰ সাগৰ আকাশ ঃ
বুকু মোৰ তাতোকে' বহল ;
মুকুতা-তৰাই থাকে তিৰবিৰ কৰি,
প্ৰেম মোৰ তাতোকে' উজ্জ্বল।
গুৰুনী গাভৰু, তুমি আহি তেনে মোৰ
বহাঁ এই মহা হৃদয়ত ;
সাগৰ, আকাশ, মোৰ হিয়া ঃ একেলগে
উজলক নৱ প্ৰণয়ত।

১৯১৮

## হৃদয়-ৰাণী

আহাঁ তুমি, হোৱাঁ মোৰ ৰাণী হৃদয়ৰ,
চাকি চাম দুয়ো সৱ সুখৰ আকৰ ;
যি সুখত নিমগন পৰ্বত-পাহাৰ,
আকাশ-ভৈয়াম আৰু পথাৰ-সমাৰ।

ৰচিম ফুলেৰে তাত শয্যা বিতোপন
থুপি থুপি কেউ কাষে অগুৰু চন্দন ;
মৃণালৰ খাৰু সাজি তোমাৰ কাৰণে
পদুম পাতৰ চোলা গঢ়িম যতনে।

খোপাত কপউ ফুল নিতউ পিন্ধাম,
কঁহুৱাৰ ফণি গাঁঠি মূৰ ফণিয়াম ;
এই উপহাৰ যদি বোলা হেপাহৰ,
আহাঁ তেনে, হোৱাঁ মোৰ ৰাণী হৃদয়ৰ।

কলমউ পাত পাৰি দুবেলা দিনউ
যোগাব আমাক ভাত ইয়াতে নিতউ ;
সুখ-সন্তোষেৰে তাকে কৰিম আহাৰ,
গৰু-গাই মেলি আহি সদায় আমাৰ।

গৰখীয়া লৰাবোৰে গীত-মাত গাই
তুষিব আমাক আহি ইয়াতে পুৱাই ;
এই সম্ভাষণ যদি বোলাঁ হেপাহৰ,
আহাঁ তেনে, হোৱাঁ মোৰ ৰাণী হৃদয়ৰ।

১৯১৬

## প্ৰিয়তমাসু

তুমি নৰ, তুমি নাৰী, দেৱতা নে,
মানৱ, দানৱ,
ভবা নাই ; তুমি এক মোৰ মনে
নৱ অভিনৱ
তৃপ্তি আৰু অতৃপ্তিৰ সঙ্গমেৰে
বিশেষ আৱেশ ;
পাৰ্থিৱ বা অপাৰ্থিৱ সৱাটিৰে
শেষ সমাবেশ
ভনীটিৰ দৰে তুমি লগৰীয়া
শুৱনী লাৱণী ;
তথাপি বুকুত কিয় বিন্ধি দিয়া
জীৱনি চাৱনি ?
তোমাৰ মুখত আছে সানি থোৱা
চন্দ্ৰমা কালিমা ;
ছিটিকালে কোনে তাতে উতলোৱা
সি বাসনা কণা ?
সোমালাঁ হিয়াত আহি অন্তৰৰ
লখিমী শাখিনী ;
পুৰি দিয়া সুখ-শান্তি জীৱনৰ
লাগনি অগনি

মৰতত ফুলিলাঁহি তুমি-ফুল
জাত পাৰিজাত ;
বঢ়াইদি সন্দেহৰ বিয়াকুল
ঘাত-প্ৰতিঘাত
আছিলোঁ ইমান দিনে একে হালি
অনন্ত সুসন্ত ;
প্ৰেম-কণা ক'ৰ জোনে দিলে ঢালি
তুৰন্ত দুৰন্ত?
তেজৰ ৰেঘাটি টানি অন্তৰৰ
জোনৰ কোণৰ ;
দিলাঁ দেখা শেষ বেলা যৌৱনৰ
পোনৰ সোণৰ
যেয়ে হোৱাঁ, জীৱনৰ তুমি হেৰা
কাণ্ডাৰী সুন্দৰী
দুগাল ভৰাই লোৱাঁ হিয়া-ভৰা
অধৰী মাধুৰী
ভোগালী বিহুৰ আজি শুভদিন
এয়া নাছিছে ধৰাত ;
ভৰি উঠে নৱ প্ৰীতিৰ সম্ভাৰ
মোৰ আকুল হিয়াত।
তৰুণ অৰুণে ধৰে প্ৰকৃতিক
কত উলাহে সাৱটি ;
যাচে হেপাহেৰে ইটিয়ে সিটিক
মুগ্ধ নীৰৱ ছবিটি।
হৃদয়ত কিন্তু মোৰ উঠে ভৰি
এনে বিহুৰ সম্ভাৰ,
মুগ্ধ কৰি দগ্ধ কৰি হিয়া হৰি
মিলনৰ উপচাৰ।
নাম নাই, ভাষা নাই আছে মুঠে
কি অপৰূপ গৰিমা
বৰষক আজি মাথোঁ চাৰি ওঠে
অনন্তৰ মধুৰিমা

মাঘ বিহু, ১৯২০

## প্ৰিয়াৰ ৰূপ

আৰু নুসুধিবাঁ, বসন্তত ফুলা
ফুলবোৰ কিনো হয়
তোমাৰ দেখোন দেহ-ফুলনিতে
বাৰ মাহ ফুলি ৰয়

কিয় সোধাঁ বাৰু কলইনো যায়
সূৰুযৰ চিকিমিক
তোমাৰ দেখোন নেঘেৰী খোপাতে
জ্বলে সিও জিকিমিকি

কেলেই বুলিছাঁ বসন্ত গ'লেই
নাথাকে কেতেকী-কুলি
তোমাৰ কণ্ঠেৰে দেখোন সিহঁতে
গায় পঞ্চমত তুলি

সুধিছাঁ, কলই গতি কৰে নিশা
খহি পৰা তৰাবোৰে?
লাগি আছে দেখোঁ তোমাৰ চকুতে
সৌৰ জগতৰ দৰে

আৰু নুসুধিবাঁ, ক'ত বাহ লয়
ফীনিক্স চৰাইটিয়ে
তোমাতে যে সিও থাকে চিৰকাল,
তাতে মৰি মৰি জীয়ে

১৯২৩

## প্ৰিয়াৰ প্ৰেম

সি দুটি চকুৰে পিয়াঁ মাথোঁ তুমি,
পিম মই বুকু ভৰি ;
অমিয়া নালাগে, বাটিটিতে যদি
চুমা এটি যোৰাঁ এৰি।

বুকুত লাগিছে প্ৰেমৰ পিয়াহ,
আৰু একো নিবিচাৰোঁ ;
তোমাৰ ওঠৰ ৰহকণি পালে
সকলো এৰিব পাৰোঁ।

তোমাৰ হাতত দিছিলোঁ সিদিনা
কেতকী পাহিটি গুজি ;
উপহাৰ বুলি নহয়, তোমাত
মৰহি নাযায় বুজি।

তাকে তুমি সুঙি, মুঠেই এবেলি,
দিলাঁ মোক ওলটাই ;
কেতকীৰ গোন্ধ নহয় এতিয়া,
প্ৰিয়াহে মলমলায়।

১৯২৩

## ভুল নে

এই যে ধৰাত ফুলে
চামে চামে বিতোপন ফুল,
তাত যে বিতত হই
পৰে আহি অলি বিয়াকুল ;
এই যে বিহগ-গীত,
বতাহত কল্পনাৰ বেণু,
তাত যে সুদূৰ দূৰ
কৰবাৰ ভাহে গীত-ৰেণু ;
বিনন্দীয়া সংসাৰৰ
এনে হেন গৰিমা অতুল
কোৱাঁ, সখি, সচাকৈয়ে
জানো এই সকলোটি ভুল?

পোনতেই ভাবিছিলোঁ—
তুমি মোৰ কল্পনা, আগত ;
দুদিন অন্তত চাওঁ—
তুমি ধন, হিয়াৰ মাজত
তুমি সঁচা, মই সঁচা ;
সেইদেখি দুয়ো মহা সঁচা

পাছত শুনিলোঁ, মাথোঁ
ব্ৰহ্ম সত্য, ই জগত মিছা
জগতৰ তুমি মই
মিছা? মিছা এই প্ৰণয় বিপুল?
হেৰা সখি, পাৰে জানো
ভাল পোৱা হ'ব কিবা ভুল??

ভুল যদি ভাল পোৱা,
তেন্তে, সখি, আৰু কাম নাই
দুবাহুৰ বান্ধ ছিঙা,
দিওঁ আজি প্ৰেমক বিদায়
নাকাঢ়িবাঁ হুমুনিয়া,
নুটুকিবাঁ আৰু চকুপানী ;
আমনে-জিমনে তেনে
হোক আজি দুইৰো মেলানি -
প্ৰবোধ পাহৰি পুনু
চাৰি ওঠ সঙ্গম-আকুল
কঁপে হিয়া কোৱাঁ সখি,
ইও নে কি, ইও নে কি ভুল??

১৯২৪

## যেন নাপাহৰাঁ

সখি অই! কিনো বিপৰীত
চাই থাকোঁতেই দেখোঁ
হঠাৎ থমকি ৰ'ল ঃ
যৌৱনৰ দীপক সঙ্গীত
দুবাহুৰ বান্ধ ঢিলা হ'ল,
অধৰৰ অমিয়া শুকাল
মিছা হ'ল নব অভিসাৰ,
দশোদিশ হ'ল ফৰকাল

তেও সখি, তেও সখি হেৰা
মোৰ এই নিশা উজাগৰ,
এই মউ ক্ষণ মিলনৰ,
একেবাৰে যেন নাপাহৰাঁ
বিদায়ৰ বেলিকা গালত
যিটি চুমা ৰ'ল আধা-খোৱা
তাৰো যেন কৰুণ মিনতি
একেবাৰে পাহৰি নোৱোৰাঁ

১৯২৩

# চতুৰ্থ — মাধুৰী

## স্মৃতি

যিটি হাঁহি মাৰি মন মুহিছিলাঁ,
নামাৰিবাঁ সিটি হাঁহি ;
যিটি বাঁহী বাই পৰাণ ভুলালাঁ,
নবজাবাঁ সিটি বাঁহী
যিটি চেনেহৰ চকামকা ৰেখা
হৃদয়ত দিলা আঁকি,
মোহাৰি পেলোৱাঁ তাৰো চিন-চাব,
নাৰাখিবাঁ একো বাকী
যিখনি বীণৰ মধুৰ ৰাগিণী,
প্ৰণয়-ছন্দেৰে গঁথা,
শুনি ভাবিছিলোঁ ছাঁয়াময়া যেন
কোনোবা কালৰ কথা

নবজাবাঁ সেই বীণখনি পুনু,
ছিগক চেনেহ-তাঁৰ ;
মচি থই দিয়াঁ আবেগৰ কথা,
নিদিবাঁ আশাৰ ঠাঁৰ।
মিছা টু-টুবনি, মিছা ফুচুলনি,
মিছা মধুময় গান ;
বুজিলোঁ এতিয়া কপট সকলো,
মিছাতে মুগুধ প্ৰাণ।
নিয়াঁ ওভতাই আদৰ-চেনেহ
সকলো তোমাৰ দান ;
মাথোঁ থই যাবাঁ তাৰ সোঁৱৰণি,
প্ৰেমৰ নিজাপী মান।

১৯১৫

## সমিধান

মোক-মায়া-ছলনাৰে ছলিব খুজিছাঁ,
এতিয়া বুজিছোঁ ;
মই-অনাহকতেই সকলো তিয়াগি
তোমাকে জপিছোঁ।
সচা-তোমাৰ মধুৰ কপট হাঁহিত
সকলো পাহৰোঁ ;
তুমি-বিজুলীৰ দৰে আঁতৰি গলেও
সাদৰে আদৰোঁ।
আকৌ-মায়াৰ মোহেৰে
কত কি ভাবুকি
দেখুওৱাঁ তুমি ;

মই-সেই ভাবুকিৰ মোৰকে নাপাই
দেখিছোঁ ত্ৰিভূমি
জানা-আপোন কৰ্ত্তব্য পাহৰি পেলাওঁ
তোমাতে লাগিয়ে ;
চোৱাঁ-দিনৰে দিনটো
তোমাকে আৰাধি
ফুৰিছোঁ এনেয়ে।
হায়-চেচনি হাতেৰে তোমাক সাবটি
মিছাতে ধৰিছোঁ ;
তুমি-যাবাঁ অলক্ষিতে হিয়া শুদা কৰি
নিশ্চয় জানিছোঁ।

তেন্তে-মিছা প্ৰলোভন দেখুৱাই কিয়
ইমান ছলিছাঁ
কিয়-দুৰ্ব্বল হিয়াক মিছা মায়া-মোহে
ইমান বান্ধিছাঁ?
নিতে-আশা-লতাজুপি বিশ্বাস-গছত
ইদৰে মেৰালাঁ ;
জানো-কাল-কীটে কুটি আশাৰ পুলিটি
কৰেহি জুৰুলা
মোৰ-হৃদয়-অৰণ্য মোহাৰি পেলাই
আঁতৰি লুকাবাঁ ;
মই-তোমাৰ কপট বুজিছোঁ এতিয়া,
আৰু যে নাহিবাঁ
সচা-চকুলো টুকিব লাগিব এদিন
অতীত সুমৰি ;
মোৰ-আশা-ঢোপাকলি লেৰেলি শুকাব
জীৱন-লগৰী ;
আৰু-তধা লাগি ৰ'ম বিশ্ব-ভাৱৰীয়া,
বিশ্ব-ভাৱনাত ;
যাম-নিতে পিছ পৰি নিজ জীৱনৰ
কৰ্ম-বাসনাত।
কত-নিৰাশ ৰাগিণী জীৱন-কুঞ্জত
তেতিয়া বাজিব ;
মোৰ-চিন্তাৰ তৰণী ভৱ-সাগৰত
উটিব-বৰিব।
তুমি-বাসন্তী কুলিৰ পঞ্চম তানেৰে
হিয়া যে মুহিছাঁ ;
শত-সুখৰ সপোন দেখুৱাইমোক
বলিয়া কৰিছাঁ
পিছে-হিয়া চুৰ কৰি মন কাঢ়ি লই
অলক্ষে পলাবাঁ ;

নিতে-দুচকুত মোৰ ছঁয়াময়া খেলি
আঁতৰি থাকিবাঁ।
তুমি-এতিয়া যে আছাঁ হৃদয়-ৰাজ্যত
প্ৰেমেৰে উমলি,
মোৰ-হিয়া পোহৰাই মায়াৰে সাবটি,
স্নেহৰ পুতলি
নউ-বসন্ত আহোঁতে আধাফুলা মোৰ
হিয়া-ফুলনিৰ
জানো-কাঢ়ি লই যাবাঁ সকলো সৌৰভ
ফুল-পাপৰিৰ
হেৰা-কতনো মৰম-বান্ধোন ছিগিল
কাল-কৰালত,
কত-জোৰা গান মোৰজোৰাতে থাকিল
মিথ্যাভিমানত
মোৰ-নিভৃত বনৰ সুগন্ধি কুসুম
নীৰলে সৰিল ;
কাক-দিব খুজিছিলোঁ প্ৰণয়ৰ চিন,
মনতে থাকিল।
শুনা-বৰষা কালৰ আগমনতেই
বিজুলী যি দৰে
আহি-মেঘৰ হৃদয় কঁপায় মধুৰ
পুলক সঞ্চাৰে ;
ঠিক-তুমিও সিদৰে হঠাতেই আহি
অন্তৰ কঁপাই
হেৰা-দিছাঁ দৰিশন বিজুলী বেশেৰে,
মৰম লগাই
যোৱাঁ-নিতউ ছলিব নোৱাৰাঁ ইদৰে
ভাবুকি দেখাই ;
মোৰ-অতি আদৰৰ মানসী প্ৰতিমা,
মাগিলোঁ বিদায়। ১৯১৬

## আক্ষেপ

যোৱাঁ তুমি, যোৱাঁ গুচি, নালাগে তোমাৰ
দেখুৱাব লেবেলা সাদৰ ;
কিবা লাভ গাই তাকে, গুচিল যদিহে
আকুল পিয়াহ পৰাণৰ?
নাই যদি সচাঁকৈয়ে প্ৰাণৰ বান্ধোন,
হ'ল যদি সকলো অতীত ;
দুদিন ফুলিয়ে যদি তোমাৰ চেনেহ
চুপহিটি মিলিল মাটিত ঃ
কিনো হ'ব মিছাতেই কৰিলে আদৰ,
নুবুজাহে যদি তাৰ মোল?
অনাহক হুমুনিয়া কাঢ়িছোঁ এইদৰে,
তুমি বা কিহত আছাঁ ভোল?
শুনিবাঁ বুলিহে মই লইছিলোঁ তুলি
জীৱনৰ ভগা-বীণখনি ;
শুনি দুখ পাবাঁ বুলি আগে' জনা হ'লে
কেতিয়াও নকৰোঁ আমনি।
পাষাণ হিয়াৰ মাজে বোৱালাঁ যিটিহে
শান্তিময় প্ৰেমৰ নিজৰা,
যাৰ কুলকুল ৰৱে মৰম-ফুলনি
কৰিছিল আপোন-পাহৰা ;
এনে বুলি জনা হ'লে সেই নিজৰাও
নিদিলোঁহেতেন মই ব'ব ; -
কৰ্ণেন্দ্ৰিয় তৃপ্তি কৰি খন্তেকৰ হেতু
পাছে মাৰ কিনো গতি হ'ব?
আগেয়েই ভাবিছিলোঁ নুবুজিবাঁ বুলি
অন্তৰৰ নীৰৱ প্ৰণয় ;
সেইবাবে বুলিছিলোঁ তোমাৰ প্ৰেমৰ
কদাপিও নহব উদয়।

কিন্তু কি ভেলেকী বাণ মাৰিলাঁ চকুত,
দেখুৱালাঁ এই ছাঁয়াবাজী
সেইহে নীৰলে নিজ ভাগ্যক সুঁৱৰি
টুকিছোঁ চকুৰ পানী আজি।
নহলেনো কিয় মোৰ হয় এনে দশা,
কিয় এৰোঁ নিৰাশ-নিশ্বাস ;
প্ৰকৃতিয়ে উগাৰিছে লাৱণ্য মধুৰ,
তাতো আজি নাপাওঁ আশ্বাস।
মনৰ ৰাজ্যত বাৰু নাথাকিলে সুখ,
প্ৰকৃতিয়ে নিদিয়ে শান্ত্বনা,
কোনে আহি ক'ৰ পৰা অবুজ মনক
দিব পুনু প্ৰেমৰ চেতনা?
এনেদৰে নিচুকাই কল্পনা-পাটিত
এ'ৰি গলাঁ কেচুৱা মনক ;
এতিয়া উলটি কোনে চাইছে বিলই?
লাই দিছে শাত-শত্ৰুৰক।
বিৰহৰ ক্লেশ ভুগি ভাবিছিলোঁ মই,
মিলনে কাটিব তাৰ শাম ;
কিন্তু দেখোঁ পৰি আছোঁ সেই যন্ত্ৰণাতে
প্ৰণয়ৰ নাই কোনো কাম
অনাহক পতিয়ন যাওঁ মানুহৰ
মোহ-সনা মোহনী মুখাত ;
প্ৰণয়েই পীড়ে যদি কোমল মনক,
ঠাই তাক নিদিওঁ হিয়াত।
পৰাণৰ অনুনয় বিনয় সকলো
উপেক্ষিব যদিহে পাৰিলে,
তেনেকুৱা প্ৰণয়ক কেনেকই জানো
সকলোৱে শান্তি-সুধা বোলে?

একেটি জোঁকাৰে যদি দুখনি অন্তৰ
একেলগে নোৱাৰে জগাব,
তেনেকুৱা প্ৰণয়ত সন্দেহৰ চকু
সমূলিকে নোৱাৰি গুচাব।
যি বোলে বোলক লোকে, নিদিওঁ তালই
কাণ-মন কেতিয়াও ঘূৰি ;
এনেয়ে কোমল প্ৰাণ, তাতে কেনেকই
সহোঁ এনে আবেগ-অমূৰি ?
মনৰ অদম্য সোত বাধিলোঁ এবেলি,
ঘূৰালোঁ সমূলি মোৰ পিনে ;
সেইদেখি ভাবিছিলোঁ সেই প্ৰেম-সুতি
নোৱাৰিবাঁ ঘূৰাব সঘনে।
সকলোতে জলাঞ্জলি দি মাথোঁ মোতেই
জপা দেখি সকলো কামনা ;
লাজ-কাজ কাতি কৰি তোমাৰ লগতে
সঁপি দিলোঁ সমূহ বাসনা।
তাহানি শুকাই যোৱা প্ৰণয়-বিলত
ফুলিছিল আকউ এপাহি
হৃদি-নন্দনৰ দিব্য প্ৰেম-পাৰিজাত,
প্ৰীতিময় প্ৰণয়-চুপহি
তাকো যদি চূৰমাৰ কৰিব খুজিছাঁ,
কৰাঁ, তাত একো কথা নাই ;
মোকেই বঞ্চিত কৰি যদি সুখ পোৱাঁ,
সিও মোৰ সুখৰ উপায়।
যিপিনে লইছে ঢাল মনৰ গতিয়ে,
যিপিনে ৰইছে প্ৰেম-সুতি ;
সিপিনেই যক বই, তাৰ বাবে আৰু
অনাহক নকৰোঁ কাকুতি।
নুশুনে? নালাগে কেঁৰে শুনিব সমূলি
দুখ-ভৰা জীৱন-সঙ্গীত ;
নিজৰ গীতেৰে মই নিজকে তুষিম,
অৰ্ঘ্য দিম দেবী প্ৰকৃতিত।
নিপিন্ধে? নালাগে তেন্তে পিন্ধিব দুনাই
মালাধাৰি, যদি ঘিণ কৰে;
কল্পনা-সূতাৰে গাঁথি প্ৰিয়াৰ ডিঙিত
আঁৰি দিম প্ৰেমৰ মন্ত্ৰেৰে।
নাহাঁহে? নালাগে বাৰু মেলিব কোনেও
হৃদয়ত হাঁহিৰ সঁফুৰা ;
অতীতৰ স্মৃতি আঁকি নীৰলে হিয়াত
বাগৰিব হাঁহিৰ নিজৰা।
লাগে যদি অসহনি সবল মনক
ভাল পোৱা চিন দিবলই ;
যাকে মনে ভাল পায়, তাৰ কাৰণেই
প্ৰাণ-মন সঁপি দিয়াঁগই।
ঈশ্বৰৰ চৰণত ঢালি মোৰ হিয়া
প্ৰকৃতিত থাপিম বিশ্বাস ;
মাজে মাজে বিৰহৰ হুমুনিয়া কাঢ়ি
হৃদয়ৰ জনাম বিশ্বাস।
মোৰ সেই হুমুনিয়া বতাহত উৰি
অন্তৰৰ আবেগ জনাব ;
তোমাৰ প্ৰাণৰো আনি নীৰৱ বাতৰি
কই মোৰ প্ৰাণ নচুৱাব।

১৯১৮

## অৱশেষ

এতিয়া বুজিছোঁ মই,
মোৰ বাবে আৰু নাই
সেই সুখ পান কৰা পিয়লাটি ভৰি ;
আছে মাথোঁ আজি তাত
প্ৰণয়ৰ আৱৰ্জনা,
দুখৰ গেদেৰিখিনি মোলইকে পৰি।
সেই স্নেহ, সি আগ্ৰহ,
একণিকে নাই আজি,
যিবা আছে সকলোতে প্ৰাণৰ অভাৱ ;
নিলগতে শুনি মাত, ছল কৰি চপা কাষ,
নাই স্নেহ-আকাঙ্ক্ষীৰ উদ্বিগ্ন স্বভাৱ।
আগৰ নিচিনাকই নাই আৰু সেইদৰে
কোমল কঠিন দৃষ্টি বেকাকই চোৱা ;
চকুত পৰিলে চকু উফৰি নপৰে আজি
বিজুলীৰ ফিৰিঙতি অন্তৰ কঁপোৱা।
মধুৰ মাধৱী মাহ,
কেউপিনে প্ৰেমানন্দ ;
ৰতাহত উঠে বাজি কীচক-কাঁকলি ;
মোৰ কিন্তু বাঁহী-মাত
কাঁহ পৰি জীণ যোৱা,
চকুৰ আগত দেখোঁ ধুৱঁলি-কুৱঁলী
বাসন্তী উষাই মোক
আৰু যে নিদিয়ে আঁকি
ভৱিষ্যত জীৱনৰ হেঙুলীয়া পট ;
কেউপিনে দেখোঁ মাথোঁ
মৰণৰ বিভীষিকা,
কয় যেন সকলোৱে - 'অস্থায়ী জগত'
কোনোবাই আৰু কয়,
'কাঠৰ কঠুৱা প্ৰাণ!
হেৰুৱাই সংসাৰত বিশ্বাস নিজৰ,
ধিক তই, আছ আজি বুকত ইদৰে সহি
জগতৰ শত শৰ জীৱন্ত লাজৰ'
কঠিন শোকৰ শেল বুকতে সোমাই থক,
আহ হেৰ' পাহৰণি, বিকটা ৰাক্ষসী;
গ্ৰহণৰ দৰে মোৰ আশাৰ অন্তিম আলো,
সামৰি ইবাৰ তই পেলাঁ সৰ্বগ্ৰাসী

এপ্ৰিল, ১৯২৪

## কথা-হীন

কথা নাই? কথা নাই? কিবা ক'লাঁ তুমি
কৰলই আৰু কথা নাই?
কেতিয়াও নুটুকোৱা কথাৰ টেমাটি,
কথা তাৰ গ'লনে টুকাই?
কথা নাই? কথা নাই? নাযাওঁ প্ৰত্যয়
হিয়াৰ সঁফুৰা মোকলাই
চোৱাঁ তুমি, ভৰি আছে কথাৰ ভঁৰাল;
কোৱাঁ তেন্তে, কথা পোৱা নাই
নালাগে, নালাগে বাৰু, বাহু-লতাডালি
দেহাটিত নিদিওঁ মেৰাই ;
ৰঙচুৱা ওঠ দুটি পৰশ-ফুলেৰে
ঢাকি মই নিদিওঁ দুনাই ;
মাথোঁ তুমি কথা কোৱাঁ, অমৃত বৰষাঁ
অষ্ঠ-কণ্ঠ গইছে শুকাই ;
আকউ সি কথা শুনি আত্মা, প্ৰাণ, মন,
সকলোটি পৰক জীপাই। -

চকুলে' নাচাওঁ বাৰু, কই যোৱাঁ কথা,
শুনো মই তলমূৰ হই ;
কথায় কথায় এটি মুকুতা জ্বলিব
দুবৰিত তিৰবিৰকই।-
নালাগে, নালাগে তুমি লাগ-বান্ধ ৰাখি
যতনেৰে কথা গাঁথি ক'ব ;
মাথোঁ তুমি কই যোৱাঁ - মুকুতাৰ মালা
নিজে আহি ডিঙিত পৰিব।
এতিয়াও কথা নাই? সচাকৈয়ে তেনে
কথাৰ পৰিল নে কি ওৰ?
সচাকৈয়ে নে কি সেই যুগ-যুগান্তৰ
শত স্মৃতি শেষ হ'ল মোৰ?-
তোমাৰ কথাই কত অনন্ত সাগৰ
তাত মই গঙ্গা-স্নান কৰোঁ ;
জীৱনৰ খেল-নাও আপুনি বুৰাই
কত বাৰ হেপাহেৰে মৰোঁ
তুমি কত কথা কোৱাঁ মন্ত্ৰ-মুগ্ধ মই
যেনিয়েই নিয়াঁ তেনি যাওঁ ;
কথাৰ অমৃত সিন্ধু, তাত বুৰ মাৰি
সংসাৰৰ সিপাৰ ওলাওঁ।
আৰু, তুমি কথা কোৱাঁ, অতীত-ভৱিষ্য
বৰ্ত্তমান হয় একেঠাই ;
তোমাৰ চেনেহ-পাত্ৰ মই সিসৰৰ
ৰজা ৰূপে বহি ৰওঁ চাই।
তুমি কথা কই থাকাঁ, মোৰ চকু-আগে'
ব্ৰহ্মাণ্ডৰ নৱ অৱলীলা
কত শত পাৰ হই যায় হাঁহি হাঁহি,-
মই চাওঁ হই স্তব্ধ শিলা।
নতুন ব্ৰহ্মাণ্ড দেখোঁ সদা সেউজীয়া,
নৱ যুগ, নতুন বছৰ ;
জৰা-ব্যাধি-মৰণৰ নাই তাত আঁচ,
আছে মাথোঁ জেউতি প্ৰেমৰ-
আজি সেই কথা নাই? ওঠ দুটি আছে,
সেইদৰে নলৰে-নচৰে ;
ঘাঁহে-পাতে গোট খোৱা নিয়ৰৰ টোপা
সৰোঁ সৰোঁ কৰি যে নসৰে
কথাৰ নাটনি আজি গোটেই বিশ্বত,
সকলোটি নিস্পন্দ নিৰ্বাক ;
কথা-আকলুৱা মই, কথাকে বিচাৰোঁ,
নাই আজি কথা-মউচাক?
তেন্তে আজি কথা নাই? ক'তো কথা নাই
অত কথা গইছে টুকাই?-
ৰ'বা, ৰ'বা, হে জগত, মোৰ গাতে সৰে
থিৰ চকু নিদিবাঁ পেলাই।
প্ৰকৃতিত, ব্ৰহ্মাণ্ডত, কল্পনা-ৰাজ্যত,
আজি মই মাগিছোঁ বিদায়।
সংসাৰত প্ৰণয়ৰ এয়ে পৰিণাম,
দেৱতাৰ মহা অভিশাপ।
কথাহীন ই জীৱন? -বেৰি লোৱাঁ মোক
জগতৰ হেৰা তিনি তাপ

১৯২৪

## শেষকথা

মাগিলোঁ বিদায় হেৰা শেষ বাৰলই মই;
তেও বাৰু চোৱাঁ কিয় ঘূৰি?
নুবুজাঁ কতনো দুখ পাওঁ দেখি মই সেই
সকৰুণ তৰা-চকুযুৰি

এনেয়ে নধৰে' চোন তুলুঙা নাৱত মোৰ
আপোনাৰ যাতনাৰ ভাৰ ;
তোমাৰ দুখৰ বোজা
তাতে কিয় দিয়াঁ জাপি
এইদৰে চাই আৰুবাৰ?

মই যে তোমাক আৰু
একো খোজা নাই - যিবা
খুজিছিলোঁ, তাকো ঘূৰি ললোঁ;
ওঠৰ কঁপনি মোৰ ওঠতে নিয়াই মাৰ,
মই হেৰা মেলানি মাগিলোঁ।

ভিখাৰী-জোলোঙা মোৰ
তোমাৰ আগৰ পৰা
তুলি ললোঁ পুনৰ পিঠিত ;
বিলাপ-বিননি যত পৰি গৈছে তাৰ ওৰ,
তোমাৰ সি দুৱাৰ-দলিত।

জনমৰ ভিকহুৰ সেই আকলুৱা চোৱা
নপৰিব তোমাৰ চকুত ;
নালাগিব উপেক্ষিও
আৰু কাৰো ভালপোৱা
দুখ পাব কোমল বুকুত।

যোৱাঁগই, চোৱাঁগই
তোমাৰ দুৱাৰ সৌৱা
উজলিছে উষাৰ ৰাগেৰে ;
মোৰ হ'লে সন্মুখত নামিছে আন্ধাৰ,সেয়ে
মাতে মোক ইঙ্গিতে-আকাৰে।

এই যে চকুৰে' মোৰ বাগৰিছে ধাৰাযাৰ
তপত ৰুধিৰ বিদায়ৰ ;
ইয়াৰো বুৰঞ্জী মিলি
যক সেই আন্ধাৰেৰে
লগতেই এই প্ৰণয়ৰ।

দুৰ্ভগীয়া জীৱনৰ এই ইতিহাস আৰু
নাজানক কেঁৰে জগতত ;
জানিলাঁ শুনিলাঁ যিবা
তুমি নিজে, সিও যেন
মাৰ যক মনৰ মাজত।

সংসাৰত লই নিজ সুখৰ সঁজুলি তুমি
আঁছা, থাকাঁ আপোন সুখেৰে ;
মই যে আহিলোঁ গুচি
নবজাওঁ বুলি ঘূৰি
বীণখনি কৰুণ সুৰেৰে।

কিনো হ'ব আৰু ৰচি এইদৰে অনাহক
অন্তৰৰ ব্যৰ্থ শোক-গাঁথা ;
প্ৰণয় কবিতা তেনে এয়ে শেষ বিৰচন,
প্ৰণয়ৰ এয়ে শেষ কথা।

মে, ১৯২৪

## লক্ষ্যতৰা

সচাঁকৈয়ে যদি মোৰ পোৰা কপালত
বিধাতাই সুখ লিখা নাই ;
সচাঁকৈয়ে যদি মই তোমাক শেষত
দিব লাগে এদিন বিদায় ;

পাছলই কিয় তেনে? আজিয়েই মই
বিদায়ৰ কবিতা ৰচিলোঁ ;
চিৰদিন, সচাঁকৈয়ে চিৰদিনলই
আজিয়েই মেলানি মাগিলোঁ।

হঠাতে এদিন হ'ল তোমাৰে মিলন,
চকুৰে নকলে সঁচা কথা ;
ভাবিলোঁ তুমি নে মোৰ হেৰোৱা ৰতন
যাৰ আত্মা মোৰ স'তে গঁথা

সিদিনা যেতিয়া ঘঁহি জীৱন-পুৱাৰ
অপৰূপ ৰাগ দুগালত,
শেৱালি পাহিৰ, পুৱা নীয়ৰে ধোৱাব,
লই হাঁহি-মোকৰা মুখত

বনৰ হৰিণী যেন দীঘল খোজেৰে
খেলিলাঁ চকুত ছঁয়া-ময়া ;
তেতিয়াও নাভাবিলোঁ মায়ামৃগ দৰে
তুমি মোৰ একেবাৰে' নোহোৱা।

আজি কিন্তু পালোঁ গম, সামৰিলোঁ মোৰ
চিৰব্যৰ্থ বিপুল বেদন ;
ইয়াতে পৰক সেই বুৰঞ্জীৰ ওৰ,
হোক আৰু সৱাৰে ছেদন।

আৰু বাৰু কিয় লাগে সৰু জিবাখনি
উলিয়াই হাঁহিটি মাৰিব?
দেখি মোক কিয় লাগে এনে অসহনি,
নেদেখাৰ ভাওটি জুৰিব?

পাতল সি ওঁঠ দুটি আৰু কিয় লাগে
ধৰিবহি মুখৰ আগত?
সকলো বিদায় যদি, যক আগে-ভাগে
মাৰ মোৰ মনৰ মাজত।

মোৰ মনে আৰু তেন্তে শুনক এবাৰ,
বৰাগীৰ মধুৰ টোকাৰী ;
যাৰ গীত পাহৰাই শুনালাঁ তোমাৰ
দুদিনীয়া বসন্ত বাতৰি।

মোৰ এই পোৰা হিয়া জাপত লুকাই
শুনিছিলোঁ বৰাগীৰ বীণ ;
নিঠুৰ নহলে তুমি কিয় ফুচুলাই
এইদৰে কন্দাবাঁ এদিন?

কত দিন এইদৰে কতৰ কাৰণে
দিন-ৰাতি চকুলো টুকিলোঁ ;
ফুচুলাই এৰি থই গ'ল কতজনে,
কত দুখ বিৰহ ভুগিলোঁ

জীৱন-আকাশ জুৰি নিজে ফুটি
বিকাশিত সুখ-তৰাবোৰ
এটিদুটি-কই মাৰ গ'ল সকলোটি
জোনাকৰ পৰিছেহি ওৰ

কিন্তু এটি পুণ্যজ্যোতি তৰা চিৰদিন
জিলিকিছে মুৰ ওপৰত,
যাৰ আভা এতেদিনে আছে পৰি খীণ,
ঢাক খাই বিস্মৃতি-মেঘত ;

তাকে আজি আৰুবাৰ হৃদয়ত লই
কৰিছোঁ সাধনা-আয়োজন ;
কাবউ কৰিছোঁ হেৰা সকলোকে মই,
দিয়াঁ মোক মঙ্গল-বচন।

আজি মই জগতৰ আশিস্-ভিখাৰী,
আৰু মোৰ একোৱেই নাই ;
হাঁহিমুখে সেয়ে যিবা পালে নিলে কাঢ়ি
ভগা এই হিয়া উদঙাই।

আছে মাথোঁ আজি মোৰ দুটি চকু ভৰি
উজাগৰ নিশাৰ টোপনি ;
সংসাৰৰ উপেক্ষাই চুৰমাৰ কৰি
থই যোৱা হৃদয় এখনি

তাতে আৰু আছে পৰি ভস্মীভূত হই
মোৰ শত বাসনাৰ ছাই ;
তাৰে আজি এটি ফোঁট কঁপালত লই
ললোঁ ভস্ম সানি মুখে-গায়।

জ্বলাঁ তেন্তে হেৰা পূৰ্ণ জ্যোতিষ্ক সুন্দৰ
আজি মই অতিকে' আতুৰ ;
এফেৰি সোমাব দিয়াঁ তোমাৰ পোহৰ,
হোক সেয়ে অঞ্জন চকুৰ।

ভুল নাওঁ, ভুল সোত গুৰীয়াল মোৰ,
দিয়াঁ মোক এপাৰ চপাই ;
ধুমুহাত বুৰি নাও নতু পৰে ওৰ,-
সকলোৰে মোৰ ৰঙ্ চায়

সহযাত্ৰী সব মোৰ, ব'লা আগুৱাই,
এয়া পালোঁ এফেৰি শকতি;
কিৰণ-নিৰ্মালি দেৱে দিয়ে দলিয়াই,
বাঢ়ে সাহ, বাঢ়িছে ভকতি।

দিচেম্বৰ, ১৯২৩

## পঞ্চম — বিষাদ

### বিনাশ

ধূনীয়া গোলাপ কলি! কিয় জঁই পৰাঁ?
দেখি মোৰ চকুলো ওলায় ;
দুপৰ আকাশে নউ ৰহন পিন্ধোতে
দিনমণি জানো মাৰ যায়?

পবিত্র সন্ধিয়া
আহেমানে এখন্তেক আমালৈকো ৰোৱাঁ;
যত পৰ সূৰযৰো আৰতি নাভাগে-
সন্ধ্যা-পূজা কৰি দুয়ো যাম লগে-ভাগে।

আমাৰ মানৰ দেহা দুদিনায়া মাথোঁ ঃ
আজি আছোঁ, কাইলই নাই ;
বসন্তৰ খন্তেকীয়া সৌন্দৰ্য্য-গৰিমা,
কালৰ বুকুতে লয় পায়।

লয় জীৱনৰ—
বাৰিষা বৰষুণ নতু নিয়ৰৰ
পোৱাল-মুকুতা-মণি যিদৰে হেৰায় ;
সংসাৰৰ আৱৰ্ত্তত নুঘুৰে দুনাই।

১৯১৫

### মৰিলে

তুমি-মই, জীৱনত একো ভেদ নাই।
মৰিলেও নৰৰ প্ৰভেদ ;
বলক সঘনে আহি বিপদ-ধুমুহা,
নোৱাৰিব ঘটাব বিচ্ছেদ।

ইপাৰত লাহেকেই উকিটি মাৰিলে,
সিপাৰত হয় প্ৰতিধ্বনি ;

নিজন্মতো ঘূৰি গই আকউ নিশ্চয়,
তুমি মোৰ হ'বাঁ স্পৰ্শমণি।

মৰ্ত্ত্যৰ ধুমুহা বই কমল দুপাহি
কৰিবহি পাৰে চুৰমাৰ ;
ৰূপ-গোন্ধ হব পাৰে তাৰ ৰূপান্তৰ,-
ভিন মাথোঁ ইপাৰ-সিপাৰ।

১৯১৬

## চাৰি আলি

"তেন্তে আহোঁহক" বুলি খোজ ললোঁ;
অলপ পাছতে ঘূৰি
চাওঁ, তেওঁ যায় উলাহী হিয়াৰে
পূব পিনে মুখ কৰি।
উষাৰ ৰাগেৰে ৰঞ্জিত হৃদয়,
পখীৰ প্ৰভাতী গীত -
মতলীয়া হিয়া, উলটি চাবৰ
নগল এফেৰি চিত
আৰু মোৰ খোজ ?-পছিমৰ পিনে,
বেলিৰ সমাধি যেনি ;
ছাঁয়া-অন্ধকাৰ ভাগৰ-নিৰাশা-
বিষাদৰ আগমনি।
গধুৰ হৃদয়, দুশ্চিন্তা নিৰ্দয়
আগলৈ নচলে পাই ;
উলটি উভতি চাওঁ পিছলই,
এবাৰি মাতোঁতা নাই।

"তেন্তে আহোঁহক",-আন দিনাখন,-
-সিদিনাও এনেকই
ঘূৰি চাই দেখোঁ, তেওঁ খোজ দিলে
দখিণলে' মুখকই।
জুৰ্ জুৰ্ বয় সুগন্ধি মলয়,
আদৰণি যাচে আহি
চিৰ বসন্তৰ চিৰ সহচৰ
আশাই মেলিলে পাহি
আৰু মোৰ দশা ?-উত্তৰৰ পিনে,
ঠেৰেঙা লগোৱা বাট ;
মৃত্যুৰ নিশাহ যেন বতাহত
পকে সৰে কুঁহিপাত।
চুচুক-চামাক, কেনেকই যাওঁ ?
হিংস্ৰ জন্তু গোজৰনি
উলটি উভতি চাওঁ পিছলই
নাই আশা-জিলিঙনি

## শুৱনী

পোনতে যেতিয়া দেখোঁ,-ক'ৰ
আধা-ফুলা পদুম কলিটি
কাৰ বাবে ?-দেৱৰ ? নৰৰ ?
তৃপ্তিপদ,- তেও ক'ত তৃপ্তি ??

কেবাটি বছৰ পাছে, - কেনে,
বসন্তৰ পূৰ্ণ পয়োজৰ
প্ৰীতি-পাৰিজাত এটি যেনে,
মোহে মৰ্ত্য' নোহে সৰগৰ

বাগৰিল কেবাটি বছৰ-
মাতৃত্বৰ পুণ্য গৌৰৱত-
মুখখনি কেনুৱা সুন্দৰ
ফলময় দিব্য শৰতত

শেষ দেখা, শেষ-শয়ানত,
দেহ-আত্মা পূৰ্ণ জ্যোতিৰ্ময়
জিনি শোভা সৰগ-মৰত
তেওঁ আজি কৰে বিশ্ব জয়

## নতুন পুৱা

পৰ-পালি দিয়া ওৰে ৰাতি আমি
চকুৰে চকুৰে চাই ;
নীৰৱে উশাহ, নীৰৱ নিশাহ,
সকলো নীৰৱে হায়
কোমল বুকুত কৰিছিল দেহী
জীৱটি উজনি-ভাটি
পৰ-পালি দিয়া চকুৰে চকুৰে
চাওঁ আমি ওৰে ৰাতি
হাতত সাৰেৰে, ভৰিত সাৰেৰে,
সাৱধানে খোজ কাঢ়োঁ ;
নোৱাৰাত মাথোঁ ঠাৰে-চিয়াৰেৰে
দুটি এটি কথা পাতোঁ
আমাৰ এফাল শকতি যাচিও
যদিহে শুশ্ৰূষা কৰোঁ,
নুমাওঁ-নুমাওঁ জীৱন-শলিতা
জানোচা জ্বলাব পাৰোঁ

আমাৰ আশাই ঘোৰ নিৰাশক
কৰিছিল এনে জয়
নিৰাশাই ঘূৰি-আমাৰ আশাক
কৰিছিল পৰাজয়
ভাবিছিলোঁ, শেষ যেতিয়া সচাতে
আছিল নিদ্ৰিত হই
ভাবিভিলোঁ, নিদ্ৰা ; যেতিয়া সঁচাতে
জীৱ-পখী গলগই
কিয়নো হেমন্ত পুৱাৰ নিয়ৰ-
টোপালঁযেতিয়া সৰে,
পাতল কুঁৱলী মাজেদি যেতিয়া
অৰুণে সঁহাৰি মাৰে ;
চকু-পাহি দুটি জপালে যেতিয়া,
আৰু নকঁপিল বুকু ;
নতুন বিশ্বৰ নতুন পুৱাত
মেলিলে নতুন চকু।

## ধ্ৰুৱ-জ্যোতি

নিৰদয় কাল-পচোৱাৰ
নিকৰুণ প্ৰথম স্পৰ্শত,
তুমি-ফুল সৰিলাঁ হিয়াৰ
জীৱনৰ পূৰ্ণ বসন্তত।

নুশুকাই নজহি এফেৰি
নসহি সলনি একোলই,
গুচি গ'লাঁ অভিমান কৰি
চিৰকাল-চিৰকাললই।

তুমি জীৱ আনন্দ-পুৰৰ,
শীত-জৰা য'ত একো নাই ;
যৌৱন-সৌন্দৰ্য্য পয়োভৰ,-
তাতে তুমি মাগিলা বিদায়।

দেখি গ'লা ৰ'দঘাই যেন
ঠন ধৰা এখনি সংসাৰ ;
নাই শোক, নাই খেন-মেন,
জয়ময় সকলো তোমাৰ।

এৰি গ'লাঁ মোৰ বাবে জানি
গেৰেকনি চেচুক জীৱন ;
ৰবলই টুকি চকুপানী,
বাঞ্চিবলে' অচিৰ মৰণ।

কিন্তু তুমি পাহি পাহি হই
যদি ফুল শুকালাহেঁতেন ;
মই সেই শোক-স্মৃতি লই
কেনেকই থাকিলোঁহেতেন ?

বন্তি কাল-বতাহে নুমালে,
তেল-শলা সকলো থাকিল ;
উল্কা দেহী, অধিক জ্বলিলে,
জ্যোতি-অৱসান, নুটুকিল।

তুমি ধ্ৰুৱ তৰাটিৰ দৰে
নিত্য সত্য পুণ্য জ্যোতির্ময় ;
দেহ এৰি শুদ্ধ আতমাৰে
নাই ভয় ক্ষয় পৰাজয়।

## ততীত স্মৃতি

নিদ্ৰা-শিকলিত বন্দী হোৱাৰ আগতে
সদায়েই নিমাত নিশাত
সিদিনাৰ মন-চোৰ সোঁৱৰণ আহি
শান্তি ঢালে তাপিত হিয়াত।
সোণালী স্মৃতিৰে গঁথা
শৈশৱৰ যত কথা
দীঘলীয়া প্ৰেম-সাধু লৰালি কালৰ ;
তীক্ষ্ন জেউতিৰে চকু
লুকাল ভাঙি ই বুকু,
ভাঙিল প্ৰেমৰ ৰাজ্য আমাৰ মাজৰ।
নিদ্ৰা-শিকলিত বন্দী হোৱাৰ আগতে
এইদৰে নিমাত নিশাত
তাহানিৰ বুকু-ভঙা সোঁৱৰণ আহি
শোক-জুই জ্বলায় হিয়াত।

স্নেহ-শিকলিৰে বন্ধা নানা লগৰীৰ
কথা আহি পৰিলে মনত
ভাবোঁ মই, জাৰ কালি গছ-পাত যেন
সবি গ'ল কাল-বতাহত।
সংসাৰৰ ভাৱনাত
মাথোঁ মই অকস্মাত,
ঘূৰি-পকি ফুৰিছোঁ নীৰলে ;
নুমাল সকলো বন্তি,
হেৰাল ফুলৰ কান্তি,
ছিগিল হৃদয়-তন্ত্ৰী কেনিবা বিৰলে।
নিদ্ৰা-শিকলিত বন্দী হোৱাৰ আগতে
এইদৰে নিমাত নিশাত
তাহানিৰ হিয়া-ভঙা সোঁৱৰণ আহি
শোক-জুই জ্বলায় হিয়াত।

১৯১৫

## ষষ্ঠ — বিৰহ

### অন্তিম মিলন

আজিলই যোৱাঁগই! নিশাৰ আন্ধাৰে
বেৰিলেই দুখনি হৃদয় ;
মিলিম পুনৰ দুয়ো পূব আকাশত
অৰুণৰ দেখিলে উদয়।
তৰাবোৰে জিকিমিকি চকু পিৰিকায়,
জোনবাই হাঁহিত মগন ;
আমাৰ দুখনি হিয়া কিয় জাপ যাব
যদি আছে স্বৰ্গীয় মিলন ?
ৰূপোৱালী কিৰণত বসুধা বিভোল,
মই ভোল তোমাৰ ভাবত ;
চন্দ্ৰৰ মাধুৰী যদি নুগুচে অকণো,
তুমি মোৰো থাকিবা মনত।
য'ত যি এপাহি ফুল পৰিছে মাটিত
ভালকই তাক গাঁথি ল'ম ;
হাঁহিৰ স্বৰ্গত বহি ভাব-মালাবোৰ
অন্তৰেৰে জুকিয়াই থ'ম।
আকউ আহিলে তুমি পিন্ধাম হেপাহে,
বুকুলই ধৰিম সাবটি ;
প্ৰকৃতি-পটত তাৰ চকামকা ৰেখা
আঁকা ৰ'ব মিলন ছবিটি।

১৯১৭

### বিৰহত

মোৰ ই হৃদয়-বন দেই-পুৰি কৰি ছন,
কেনি আঁতৰিলি অ'ই প্ৰাণৰ প্ৰতিম
জীৱন্তে কৰিলি দেখোঁ জীৱন অন্তিম ?
কি দুখত প্ৰাণৰ পখীটি,
এৰি গ'লি সোণৰ সজাটি ?
ভাঙি গ'লি চনকা হৃদয়
হিয়াত সজাই থোৱা মোৰ,
হেপাহৰ ভোক-লাহু তোৰ,
কোন সতে গ'লি এৰি থই ?
কি সতেনো তই বাৰু অ'ই,
গ'লি গুচি চিৰকাললই
নলগোৱাকই মোক মাত ?
ৰাখিছিলোঁ সজাই-পৰাই
কত ফল শৰাই ভৰাই,-
নুফুৰালি চকুটিও তাত
প্ৰণয়ৰ বৃন্দাবন কিয় কৰি গ'লি ছন ?
জুই দিবলৈকে নে কি সাজিলি ই ঠাই
দুদিনৰ হন্তে অ'ই মায়াত উমলি তই,
এতিয়া সোণৰ লঙ্কা কৰি গ'লি ছাই
সোণোৱালী কল্পনাৰ
ভাঙিলি ডেউকা যুৰি
কলীয়া মেঘৰ কাষে'
কিহেৰে ফুৰিব উৰি ?
সুদূৰ শূন্যৰ স'তে
মিলোঁ নে নিমিলোঁকই
অনন্ত বাসনা লই কিহেৰে মিলিম গই ?
মৰম-মইনা হেৰা, উৰি গুচি গ'লি তই-
মহা বিৰহত প্ৰাণ কান্দিছে বিনাই ;
জীৱন-বীণত বাজে-মইনা সোণাই

১৯১৯

## মৃত্যুৰ পাছত

তুমিও শৰীৰী হায়, তোমাৰো এদিন
শেষ হ'ব জীৱনৰ খেলা-
ভবা হ'লে কিয় মই টোকোঁ এনেদৰে
অশ্ৰু-জল অন্তিমৰ বেলা ?
তোমাৰ কাষত বহি নোৱাৰোঁ ভাবিব
কেতিয়াবা সেই কাল যাব ;
মুখনি তোমাৰ মোৰ শেষ চোৱা হ'ব,
তুমি আৰু নোৱাৰাঁ হাঁহিব
হাঁহিবা, হাঁহিবা, বুলি চাওঁ এতিয়াও
সতৃষ্ণ নয়নে তোমালই ;
তুমি যে প্ৰাণত হাঁহি নোৱাৰোঁ বিলাব,
এই ভাব নাহে, মনলই।
জীয়াই থাকোঁতে তুমি মোৰ যি কথাৰ
সমিধান সদায় দিছিলাঁ,
তাতহে নিমাত দেখি বুজিছোঁ এতিয়া,
তুমি-ফুল মৰহি শুকালাঁ
থকা হ'লে সখি তেও আজিও তোমাৰ
জীৰ্ণ হৈয়ো শৰীৰ-মন্দিৰ,
ৰাখিলোঁহেতেন সাঁচি সুখৰ ভঁৰাল
তাতে সেই মিচিকি হাঁহিৰ।
তোমাৰ সি ছবিখনি দেখি এতিয়াও
ভাবোঁ, তুমি মোৰ লগৰীয়া ;
গতালোঁ তোমাক কিন্তু মহা শ্মশানত,
আজি মই অকলশৰীয়া
য'তে তুমি থাকাঁ লাগে, ভবা নাই মই
তুমি মোৰ কথা পাহৰিছাঁ ;
জুই-জ্বলা হৃদয়তো তোমাক ভাবিলে,
তুমি মোত শান্তি বৰষিছাঁ।
তোমাৰচৌপাশে মাথোঁ আগতে নেদেখা
বিৰিঙিছে উষাৰ পোহৰ ;
কল্পনায়ো তেনে ধন নাজানে সাঁচিব
ভঁৰালত ভুত-ভবিষ্যৰ।

১৯২০

## শান্তি-সুষমা

হৃদয়-কুসুম ফুলিলে এবেলি
যায় নে দুনাই জাপ ?-
দুৰন্ত ৰ'দত এতিয়া নিতকে
সহিব লাগিছোঁ তাপ।
কোনে কাঢ়ি নিলে চেনেহ-সৌৰভ
সমীৰৰ ঢউ খেলি ?
জীৱন-মেলাত কোনে দিব আৰু
হাঁহিৰ সঁফুৰা মেলি ?
নোৱাৰোঁ সহিব ৰবিৰ কিৰণ,
বিৰহৰ চোকা শৰ ;
মোৰ হৃদয়ত যাতনা অশেষ-
শত স্মৃতি ততীতৰ।
তথাপি মৰ্ত্যত আছে যি এজুপি
সৰগৰ পাৰিজাত ;
তাৰ ছাঁয়াতেই বহি এখন্তেক
ভাগৰ কৰিছোঁ শাঁত।
তুমি য'ত আছাঁ অমৰৰ স'তে
কৰিছাঁ অমৃত-পান ;
তাৰেই অকণি শান্তি-সুষমা
কৰিবাঁ আমাকো দান। ১৯১৯

## বিলীন

ম্লান মুখখনি মই দেখোঁ জোনাকত
শুনো মাত নোম শিয়ঁৰোৱা ;
অতীতৰ স্মৃতি-পট জাগে হৃদয়ত-
মায়াময়, অতি ছঁয়াময়া
দীঘল নিশ্বাস কাঢ়োঁ, চকুলো বাগৰে,
নাই কেও কৰে অনুভূতি ;
জীৱনত আৰু এনে নিৰাশাৰ দৰে
নাই একো সুখৰ আহুতি।
শুনিছোঁ মানৱ-প্ৰাণ আছে কাঠ-চিত,
মোৰো হিয়া নিকৰুণ অতি ;
নতু কিয় তুমি থাকাঁ মহা-টোপনিত,
মই ৰওঁ চকুপানী টুকি?

দুখৰ-সুখৰ এই সঙ্গম কালত
পৰা নাই স্বপ্নতো ভাবিব,
মোৰ বাবে আছে এনে ঠাই সংসাৰত
তুমি বিনে লাগিব থাকিব।
নোৱাৰে মৰণে হিয়া পৃথক কৰিব,
তুমি মোৰে থাকিবাঁ সদায় ;
নালাগে বিশ্বত মই অকলে থাকিব
যদি দিয়াঁ ওচৰত ঠাই।
একোতে আমাৰ কিন্তু নৰ'ব বিচ্ছেদ
স্মৃতি-ৰাজ্য থাকে যতদিন ;
মোৰ ভগা হিয়াখনি নৰব আঁতৰি,
হ'বগই তোমাতে বিলীন। ১৯২০

## বিৰহ-মেলা

প্ৰাণ-বীণটি বজাই কত, শুনালোঁ গান
জানো নুশুনিলা
এই আশঙ্কাত কঁপিল প্ৰাণ
বিশ্ব-জগত কঁপি উঠিল,
শূন্যে শূন্যে হৃদয় ভৰিল ;
ত্ৰিদিব বালা নামি আহিল, জুৰিলে তান
জানো নুশুনিলা
এই আশঙ্কাত কঁপিল প্ৰাণ

শুনিলোঁ মোৰ অতীত দূৰ সকলো কথা
কিয় তোমাক ক'লোঁ যে মোৰ
হিয়াৰ ব্যথা
যেতিয়া ফুলে মাধৱী-লতা,
কলোঁ তোমাক হিয়াৰ কথা ;
ক'লাঁ তুমিও, প্ৰাণত গঁথা থাকিব বেথা
আজি সুমৰি ভাল লাগে সি অতীত কথা

তেতিয়া তুমি মোৰ মানত শাৰদী জোন
এতিয়া মই বুজিলোঁ ভাল,
তুমিনো কোন
তুমি যে মোৰ হিয়াত ৰজা,
আত্মা-লগৰী প্ৰণয়-ধ্বজা ;
ললিত বীণা প্ৰাণত বজা ;খনিৰ সোণ
এতিয়া মই বুজিছোঁ ভাল,
তুমিনো কোন

আঁতৰি গ'লা? নালাগে দিব মিলন-মউ
দূৰতে থাকি প্ৰাণত মোৰ খেলিবাঁ ঢউ
পূণ্য হব জীৱন-খেলা,
পাতিলে এই বিৰহ-মেলা ;
যেতিয়া প্ৰাণ অন্তিম বেলা, থউকি-বাথৌ
তুমি মোৰ ই প্ৰাণত আহি খেলিবাঁ ঢউ
ঢালিবাঁ মউ ১৯২০

## পুনৰ্জীৱন

তুমি হ'লে নাই আজি সংসাৰৰ পাৰে,
আছে মাথোঁ স্মৃতিৰ সৌৰভ ;
আছে লাগি আৰু মোৰ ই ওঠ দুটিত
এটিমান চুমাৰ গৌৰৱ

পোনতে যেতিয়া মোক ধৰা দিও তুমি
ফুৰিছিলোঁ আঁতৰে আঁতৰে,
অকুমাৰী কিশোৰীৰ সৰল প্ৰাণেৰে,
গালখনি বোলাই লাজেৰে ;

তেতিয়াযে কাষে চাপি লাজ কাতিকৰি
ধৰিছিলোঁ ডিঙিত সাবটি,-
নোৱাৰোঁ,নোৱাৰোঁ ক'ব কিৰূপে তোমাৰ
গালত লাগিল ওঠ দুটি

হঠাতে উঠিল কঁপি দুখনি অন্তৰ
কাৰোবাৰ চকু পৰে বুলি ;
দেখিলোঁ তোমাৰ যেন দুগালে দুপাহি
তেজৰ পদুম ৰ'ল ফুলি

তেতিয়াৰে পৰা কত সহস্ৰ বসন্ত
মুখৰিত পৰাণত আহি ;
উজাৰি তুলিলে মোৰ নিৰস প্ৰাণত
অনন্তৰ কত শত হাঁহি

বসন্তৰ ৰঙা ৰঙা কত কুঁহিপাত -
প্ৰকৃতিত নতুন বিকাশ ;
তাতে যেন আঁকি কোনে কৰিলে প্ৰকাশ,
মোৰ সেই চুমা - ইতিহাস

অপ্ৰস্তুত হওঁ মই, কোঁচ-মোচ খাই
পৰোঁ যেন আপোন লাজত
কোনেনো লিখিলে সেই বুৰঞ্জী চুমাৰ
আজি প্ৰতি গছৰ পাতত?

ৰক্ষা আজি তুমি নাই ; সেই দেহ-লতা
ভস্মীভূত, সৰে মাটি-ছাই ;
সুমৰি অতীত মোৰ ওলায় চকুলো-
হিয়া মোৰো ভস্মীভূত-প্ৰায়

তথাপি প্ৰাণত উঠে প্ৰতিধ্বনি তাৰ,
উঠে এই লোকৰ শুননি-
থকা হ'লে সাদৰীৰ মাথোঁ অন্তিমৰ
শেতা পৰা সেই মুখখনি

এটি চুমা,-সাদৰীত যাৰ পৰশনে
উদগালে প্ৰথম যৌৱন ;
পাৰিলেহেতেন সেয়ে জানোঁবা আকউ
দিব তাত পুনৰ-জনম

১৯২৩

# সপ্তম — সাধনা

## সোঁৱৰণি

অন্তিম বেলিকা দেহী, মেলানি মাগিলে
শোকতেই উতলি পৰিলোঁ ঃ
তৎ-শ্ৰুতি-জ্ঞান মোৰ সমূলি হেৰাল,
একো কথা ক'ব নোৱাৰিলোঁ।

আশাৰ দীপিতি-ফেৰি নুমাই থাকিল,
চকুলোৰে বাট নেদেখিলে
আন্ধাৰ, আন্ধাৰ মোৰ লাগিল তেনেই
শোক-অশ্ৰু ঘনে উথলিলে।

হুৱাৰাৰে মমতাত কান্দিলোঁ বহুত,
কন্দুৱালোঁ ঘৰ-ঘৰোৱাল ;
ঋতু যায়, ঋতু আহে ; লগে লগে সেই
চকুলোও চকুতে শুকাল।

বিনন্দীয়া পৃথিবীৰ লাহ-বিলাহত
মাৰ গ'ল শোকৰ বিননি ;
কিহৰ ৰাগীত বাৰু ভোল গই থাকি
হেৰুৱালোঁ শোকৰ কাৰিনী ?

আজি সেই শুভ স্মৃতি আহে ৰিণি ৰিণি,
থাকি থাকি পৰেহি মনত;
এটুপি চকুলো টুকি দিলোঁ তেওঁলৈকে
সোঁৱৰণি পৱিত্ৰ লগত।

১৯১৭

## গাঁৱৰ স্মৃতি

দিনৰ পৰিছে ওৰ সৰিছে আন্ধাৰ
ধীৰে নিশা ডেউকাৰ পৰা
পেলাই গইছে যেন কোমল পাখিটি
আকাশৰ চিলা'উৰা মৰা।

বৰষুণ-কুঁৱলীৰ মায়া-জাল ভেদি
বিবিঙিছে গাঁৱৰ পোহৰ ;
দুখৰ ডাৱৰ আহি আবৰে অন্তৰ,
সাধ্য নাই প্ৰাণে সহিবৰ।

বিষাদৰ কামনাৰ মিহলি আৱেশ,
চাটিফুটি ভাব নাইকিয়া ঃ
বৰষুণ কুঁৱলীৰ সান-মিহলিৰে
আজি এই বিপদৰ ছাঁয়া।

শুনোৱাঁ শুনোৱাঁ পঢ়ি একোটি কবিতা,
গোৱাঁ এটি পৰাণৰ গান ;
অশান্ত কামনা যাতে শাঁতি হয় মোৰ,
দিনৰ কামনা অৱসান।

নুশুনো কবিতা মই পুৰণি কালৰ
মহাবীৰ কবিগণে গোৱা,
যাৰ চৰণৰ ধ্বনি বাজিছে কাণত
কাল-কৰালত লাগি ৰোৱা ;

ৰণৰ সঙ্গীত যেন সিবোৰ ভাবনা ;
-সংসাৰৰ অবিশ্ৰান্ত ৰণ,
তাৰ বাবে উদগায় ;-মোক কিন্তু লাগে
হবলই জিৰণি-মগন।

শুনোৱাঁ আনৰ মোক কোমল কবিতা
হৃদয়-তলিৰ পৰা বোৱা ;
নামি আহে যেনেদৰে বাৰিষাৰ মেঘ,
চকু-পানী নই বই যোৱা।

দুখকাৰী দিনটোত ভাগৰৰ পাছে,
নিদ্ৰাহীন নিশা আৰু যাৰ
মধুময় অপৰূপ সঙ্গীত সুৰদি
বৰষে প্ৰাণত ধাৰাষাৰ।

এনেকুৱা কবিতাৰ শকতি মহান,
কঁপি থকা হৃদয়ৰ তাঁৰ
পাৰে নিচুকাই থব, বৰ লাভ হয়
যেনে অৱশেষে প্ৰাৰ্থনাৰ।

তেনেহলে সাঁচি থোৱা পুথি-ভঁৰালৰ
গোৱাঁ এটি কবিতা সুন্দৰ ;
কবিৰ কাব্যত যেন ৰহন চৰায়
মাধুৰীয়ে তোমাৰ কণ্ঠৰ।

সঙ্গীতেৰে পূৰ তেন্তে হ'ব দশোদিশ ;-
যি চিন্তাই দিনক আগুৰে
সিও তম্বু তুলি নিব যোজনৰ বাট
আৰৱ-নিবাসী যোৱা দৰে।

১৯২০

## সপোন সপোন লাগে

নৱকই ফুলা পদুম কলিৰ
নিচিনা সি চকুযুৰি ;
নুফুলা কালৰ সপোনতে যেন
আছে এতিয়াও বুৰি
সেই চকু দুটি দেখিলে মনত
ক'ৰ কি স্মিৰিতি জাগে -
এনেনো ধুনীয়া, এনে মৰমীয়া
-সপোন সপোন লাগে

ৰূপে-গোন্ধে ভৰা ইমান এধানি
চেনিচম্পা ফুলপাহি ;
তাৰেই দৰেই অতি মিঠা-সনা
তেওঁৰো ওঠৰ হাঁহি

মনত নপৰে সেইনো হাঁহিটি
ক'ত দেখিছিলোঁ আগে'-
এনেনো ধুনীয়া, এনে মৰমীয়া
-সপোন সপোন লাগে

ঘনাই নাচায়, ঘনাই নাহাঁহে,
ঘনাই নকয় কথা ঃ
যিবা দুই এটি কয়, তাকে মিঠা
ইমান যে লাগে মিঠা
এনে মউ-মাত, থুনুক-থানাক,
ক'ত শুনিছিলোঁ চাগে ?-
এনেনো ধুনীয়া, এনে মৰমীয়া
-সপোন সপোন লাগে

খোজত নেদেখোঁ লাগ-বান্ধ একো,
তেও তাতো আছে লয় ;
নাজানো কি তাল, নুবুজোঁ কি মান,
সঙ্গীত-শাস্ত্ৰই কয়।
থমকি ৰলেই হঠাতে জানিবাঁ
পুনু মৈৰাচালি ভাগে -
এনেনো ধুনীয়া, এনে মৰমীয়া
—সপোন সপোন লাগে

শৰীৰী হইও মোৰ কল্পনাত
তেওঁ ফুল বাচি যায়।
ওঁহোঁ, ভুল হৈছে। মোৰ কল্পনা'হে
সেই ৰূপ লব পায়
নহলে কিয়নো কবিতাই নিজে
তেওঁতে মৰম মাগে —
ইমান ধুনীয়া, এনে মৰমীয়া
—সপোন সপোন লাগে

## মানস-প্ৰিয়া

নালাগে নালাগে মোক স্বাৰ্থপৰ হই
দিব স্নেহ-মাধুৰী বিলাই,
যদিও তোমাৰ সেই হৃদয়-তৰুত
বিশ্বময় প্ৰেম মলিয়ায় ;
সদায় তোমাৰ যদি কোমল অন্তৰ
দুখীয়াক দেখি যায় গলি,
লেউ-সেউ যদি সেই পৰাণ-লতাটি
দুখীৰ দুখত পৰে ঢলি ;
বিলাস-ভোগত ফুৰা ওপঙি ওপঙি
সেই চিত কুসুমৰ প্ৰায়,
দাৰিদ্য-দুখত যদি সমদুখী হই
দুখীয়াৰ দুখ পাতলায় ;
আৰু যদি আঁৰা প্ৰেম-পাৰিজাত চাকি
ভিকহুৰ মলিন গলত,
স্বাৰ্থ-পূৰ্ণাহুতি যদি ঢালি দিয়াঁ তুমি
মানৱৰ মিলন-যজ্ঞত ;
মনোমোহা কবিতাৰ মালা গুঁথি যদি
প্ৰকৃতিৰ গলত পিন্ধোৱাঁ,

মৰম, মৰম বুলি জগতক যদি
'মৰমেই ধৰম' শিকোৱাঁ ;
স্বাৰ্থান্ধ-মানৱৰ চকু মেলি যদি তুমি
চাব পাৰাঁ সমান চকুৰে
জগতৰ প্ৰতি প্ৰাণ আদৰি-সাদৰি
মৰমৰ কোমল বুকুৰে ;
বসুধা আপোন বুলি সকলো কামতে
কৰাঁ যদি প্ৰেমৰ বিকাশ
তেতিয়াহে প্ৰেম-ভৰা উদাৰ অন্তৰ
পূৰ্ণৰূপে দেখিম প্ৰকাশ।
কুলি-সখীয়তী গই ডালে ডালে পৰি
দেশে দেশে প্ৰেম-গান গাব ;
পশু-পখী-পতঙ্গয়ো সোণালী চকুৰে
জগতৰ নৱ শোভা চাব ;
মৈৰা পখীটিয়ে আহি স্বৰ্ণ-মৰতত
নৱভাৱে মৈৰাচালি ধৰি
জগতক দেখুৱাব প্ৰেমৰ গৌৰৱ
আনন্দত হৃদয় উবাহি ;

চন্দ্ৰ-সুৰ্য্য গ্ৰহ-তৰা নক্ষত্ৰ-ৰাশিয়ে
জগতত প্ৰেম বিস্তাৰিব ;
বসন্তৰ আগতেই কেতেকীয়ে আহি
স্বৰ্গৰ বাতৰি আনি দিব

মৰতৰ পৰা সিংসা-দ্বেষ ঈৰ্ষানল
একেবাৰে গুচিব তেতিয়া ;
মুকলি চিতেৰে মন-মউপিয়াটিয়ে
পিব স্বৰ্গ-সুখৰ অমিয়া। ১৯১৭

## সৌন্দৰ্য্য-কুঁৱৰী

সৌন্দৰ্য্য-কুঁৱৰী কেৰে তোমাৰ নিচিনা
এনেকুৱা নাজানে মোহনী ;
তোমাৰ সুৱলা মাত সমুদ্ৰৰ ধীৰ
আকৰ্ষণী বাণী যেন শুনি।

মাজনিশা জোনটিয়ে গঁথা
মালাধাৰি জলধিয়ে পিন্ধে ;
টোপনিৰ কেচুৱাৰ দৰে
বুকুখনি ভাবত ওফন্দে

শুনি সেই সুমধুৰ স্বৰ,
সাগৰো যে মোহিত মন্থৰ ;
ঢউ শোৰে কৰি চিকমিক্
মুগ্ধ বায়ু' দেখে সমাজিক

তোমাৰ গীতৰ বাবে তোমাৰ কাষত
অৱনত প্ৰাণ শ্ৰদ্ধা-ভৰে ;
বাৰিষা' সমুদ্ৰ যেন উছলিছে হিয়া
পূৰ্ণ আৰু মৃদু আবেগেৰে।

১৯২৯

## শ্ৰদ্ধা-প্ৰীতি

নকৰাঁ সাদৰী, মোৰ এই হিয়াখনি
নিৰমম শিলেৰে বন্ধোৱা
পবিত্ৰ তোমাৰ প্ৰেম-মন্দিৰৰ পৰা
দেখি মোক ৰণলে' ওলোৱা।

হিয়াত থাপিছোঁ সচা নতুন প্ৰণয়ী,
সমৰৰ প্ৰথম শতুৰু ;

বান্ধিছোঁ বুকত আজি দুগুণ হেপাহে
ঢাল-তৰোৱাল খাৰ-বাৰু'।
কিন্তু এই ভালপোৱা এনে উৰণীয়া,
তুমিও নকৰাঁ বেয়া বুলি ;-
নোৱাৰোঁ তোমাক দিব ভালপোৱা, প্ৰিয়া,
লোৱাঁ মোৰ শ্ৰদ্ধা-পুষ্পাঞ্জলি।

১৯২৩

## স্বাধীন প্ৰণয়

মাৰিলে ইটাৰ গড় নোহে বন্দীশাল
লোহাৰেও পিঞ্জৰা নহয় ;
স্বাধীন-চিতীয়া লোকে এই সকলোকে
শান্তিৰ আশ্ৰম মানি লয়।

প্ৰণয়ত যদি মই মুকলি-মুৰীয়া,
আত্মা মোৰ স্বাধীন সদায় ;
ওপৰত উৰি ফুৰা অপ্সৰা সকলে
তেনে মুক্তি বিচাৰি নাপায়।

১৯২৩

"অসম বাণীক যিসকলে কবিতাৰ ভিতৰেদি সাৰ্থকৰূপে ব্যক্ত কৰিছে "ইন্দ্ৰধনু"ৰ গ্ৰন্থকাৰ শ্ৰীযুত ডিম্বেশ্বৰ নেওগ সেইসকলৰ অন্যতম। ... এই উপাদেয় গ্ৰন্থখনিয়ে লেখকৰ দীঘল কবিতা লিখাৰ ক্ষমতাৰ শ্ৰেষ্ঠতা প্ৰতিপাদন কৰিছে। ক্ষণিক কালৰ ফুলৰ দৰে এই কবিতাবোৰ খন্তেকতে মৰহি নাযায় ; সিবোৰত দীৰ্ঘ জীৱনৰ চিৰকলীয়া সৌন্দৰ্য্য-সৃষ্টিৰ বৃহত্ত্ব আছে। ... কিছুমান কবিতাৰ তৰাৰ দৰে উজ্জ্বলতা আছে আৰু কিছুমানৰ মৌ-ৰসৰ দৰে সোৱাদ গুণ আছে। ... "Awoke one morning to find himself famous"- এসময়ত এওঁতে সম্ভৱ হ'ব। ... "ইন্দ্ৰধনু" আধুনিক আন অসমীয়া খণ্ড-কাব্যতকৈ যি বিষয়ত ওখ বুলি ক'ব পাৰি সি স্বাভাৱিকতা। মানুহৰ স্বভাৱে স্বভাৱতে যি ডাঙৰ আকাঙ্খা কৰে "ইন্দ্ৰধনু"ত তাৰ পৰিচয় আছে। ... মুঠৰ ওপৰত "ইন্দ্ৰধনু" যি উদ্দেশ্যত ৰচিত সি সাৰ্থক। ... তপতে তপতে কব'লগীয়া আৰু বেছি কথা "ইন্দ্ৰধনু"ত নাই। "ইন্দ্ৰধনু"ৱে অসমীয়া সাহিত্যত নিজা বিচিত্ৰ বৰণ দেখুৱাইছে, যি যি বৰণ ভাল পায় তেওঁ সেই বৰণ সমাদৰ কৰিব। ... সাহিত্যৰ পূৰ্ণ উৎসৱৰ কাৰণ যিসকলে চিৰস্থায়ী বন্দবস্ত কৰি থৈ গৈছে, "ইন্দ্ৰধনু"ৰ লেখক সেইসকলৰ এজন এওঁৰ শক্তিয়ে বস্তুক অকল সুন্দৰ কৰিয়েই নেৰে, তাক বিপুলতাও দিয়ে। ... "ইন্দ্ৰধনু"ৱে বজ্ৰাগ্নি বৰষক-নবৰষক, মন্মথৰ ফুল-বাণ যে বৰষিব তাক এই নগণ্য লেখকেও স্বীকাৰ নকৰি নোৱাৰে।" কঃ, "বাহী", ১৯শ বছৰ, ১ম সংখ্যা।

"শ্বহিদে কাৰবালা। ... দুৰ অতীতৰ হাছান-হোছেনৰ কাহিনীয়ে গোটেই বিশ্ববাসীৰ চকুপানী উলিয়াইছে। সেই কাহিনীৰ নানান সৰু সৰু হৃদয়-বিদাৰক ঘটনা অৱলম্বন কৰি নেওগদেৱে এই অখ্যায়িকা ৰচনা কৰিছে। এই কাব্যৰ ভাষা বৰ্তমান যুগৰ অসমীয়া ; কিন্তু কবিয়ে মুছলিম সমাজৰ হাড়ে-হিমজুৱে গঁথা সুপ্ৰসিদ্ধ নায়ক-নায়িকাৰ নাম আৰু সেই সমাজত প্ৰচলিত সাধাৰণ সব্দাৱলী সমাবেশ কৰাৰ কাৰণে ঘটনাৱলীৰ বৰ্ণনা মৰ্মস্পৰ্শী হৈ পৰিছে। মূল ঘটনাৰ কৰুণ ৰস অসমীয়া কবিয়ে মাতৃভাষাৰ মাজেদি বোৱাব পাৰিছে। সেই কাৰণে নেওগদেৱ গোটেই অসমীয়া কাব্যপ্ৰিয় মাজৰ প্ৰশংসাৰ পাত্ৰ।" - খান বাহাদুৰ ছয়িদুৰ ৰহমান, ৰাজস্ব মন্ত্ৰী, শ্বিলং ৯/১২/৪০ ।

"মৰমৰ ডিম্বেশ্বৰ, আজি "বাহী"ত তোমাৰ কবিতা এটা দেখিলোঁ। তাৰ পাছত অৱশ্যে পঢ়িছোঁ আৰু পঢ়ি পঢ়ি সোৱাদো লৈছোঁ। তোমাৰ এই প্ৰথম প্ৰকাশ উপলক্ষে সৰল অভিবাদন জনালোঁ। তোমাৰ কবিতাৰ মৌ-কোঁহত সোমাবলৈ মোৰ এটা সুবিধা আছে ...।" তোমাৰ শ্ৰীভগৱতীপ্ৰসাদ বৰুৱা, সোণাৰি ফাগুন, ১৮৪২।"